This booklet contains **44** pages.

এই পুস্তিকাৰ 44 পৃষ্ঠা আছে।

# CHLAA

**(English/Assamese)**

**Test Booklet Code**

**পৰীক্ষা পুস্তিকা সংকেত**

# FF

**Do not open this Test Booklet until you are asked to do so.**

কোনোৱালৈকে এই পৰীক্ষা পুস্তিকা নুখুলিবা ।

**Read carefully the Instructions on the Back Cover of this Test Booklet.**

এই পৰীক্ষা পুস্তিকাৰ পিছকালে দিয়া নিৰ্দেশ সমূহ সাৱধানতা সহকাৰে পঢ়ি ল'ব ।

***Important Instructions :***

1. The Answer Sheet is inside this Test Booklet. When you are directed to open the Test Booklet, take out the Answer Sheet and fill in the particulars on **Side-1** and **Side-2** carefully with **blue/black** ball point pen only.
2. The test is of **3 hours** duration and this Test Booklet contains **180** questions. Each question carries **4** marks. For each correct response, the candidate will get **4** marks. For each incorrect response, **one mark** will be deducted from the total scores. The maximum marks are 720.
3. Use **Blue/Black Ball Point Pen only** for writing particulars on this page/marking responses.
4. Rough work is to be done on the space provided for this purpose in the Test Booklet only.
5. **On completion of the test, the candidate must hand over the Answer Sheet to the Invigilator before leaving the Room/Hall. The candidates are allowed to take away this Test Booklet with them.**
6. The CODE for this Booklet is **FF**. Make sure that the CODE printed on **Side-2** of the Answer Sheet is the same as that on this Test Booklet. In case of discrepancy, the candidate should immediately report the matter to the Invigilator for replacement of both the Test Booklet and the Answer Sheet.
7. The candidates should ensure that the Answer Sheet is not folded. Do not make any stray marks on the Answer Sheet. Do not write your Roll No. anywhere else except in the specified space in the Test Booklet/Answer Sheet.
8. Use of white fluid for correction is ***not*** permissible on the Answer Sheet.

***গুৰুত্বপূৰ্ণ নিৰ্দেশ :***

1. উত্তৰ কাকত এই পৰীক্ষা পুস্তকৰ ভিতৰত আছে । যেতিয়া পৰীক্ষা পুস্তকখন খুলিবলৈ নিৰ্দেশ দিয়া হ'ব, তেতিয়া উত্তৰ কাকতখন উলিয়াই তাৰ 1 আৰু **2**-পৃষ্ঠাত থকা বিৰৰণ সমূহ সাৱধানেৰে **নীলা/ক'লা** বল পইন্ট পেনৰ দ্বাৰা পুৰা কৰা ।
2. পৰীক্ষাৰ সময় **3 ঘন্টা** আৰু পৰীক্ষা পুস্তিকাত **180** প্ৰশ্ন আছে । প্ৰত্যেকটো প্ৰশ্নৰ **4** নম্বৰ আছে । প্ৰত্যেকটা শুদ্ধ উত্তৰৰ বাবে পৰীক্ষাৰ্থীৰে **4** নম্বৰকৈ পাব । প্ৰত্যেকটো অশুদ্ধ উত্তৰৰ বাবে মুঠ নম্বৰৰ পৰা **এক নম্বৰকৈ** কটা হ'ব । সৰ্বোচ্চ নম্বৰ 720 ।
3. এই পৃষ্ঠাত বিৰৰণ সমূহ ভৰাবলৈ/উত্তৰৰ সংকেত দিবলৈ মাত্ৰ **নীল/ক'লা বল পইন্ট্** পেনহে ব্যবহাৰ কৰিব ।
4. খচৰা কামৰ (rough work) বাবে পৰীক্ষা পুস্তিকাত দিয়া ঠাইহে ব্যৱহাৰ কৰিবা।
5. **পৰীক্ষাৰ শেষত, পৰীক্ষাৰ্থীজনে উত্তৰ কাকতখন কোঠাত/হলত থকা । নিৰীক্ষকৰ হাতত জমা দিব লগিব । পৰীক্ষা পুস্তিকাখন পৰীক্ষাৰ্থীয়ে লগত লৈ যাব পাৰে ।**
6. এই পুস্তিকা খনৰ সংকেত **FF** এই কাকতখনৰ **2 নং** পৃষ্ঠাত যাতে এই সংকেতটোৱেই দিয়া আছে সেইটো সুনিশ্চিত কৰি ল'বা । যদি সংকেত চিহ্ন নিমিলে, পৰীক্ষাৰ্থী জনে তৎক্ষনাৎ পৰীক্ষা পুস্তিকা আৰু উত্তৰ কাকত, দুয়োখনকে সলনি কৰিবলৈ নিৰীক্ষকক জনাব লাগে ।
7. উত্তৰ পুস্তিকাখন যাতে ফোল্ড কৰা নহয়, সেইটো পৰীক্ষাৰ্থী জনে সুনিশ্চিত কৰিব লাগে । কোনো উত্তৰ অন্য চিন্ বা পুস্তিকা/উত্তৰ কাকতত নিলিখিবা । নিজৰ ৰোল নং পৰীক্ষা পুস্তিকা আৰু উত্তৰ কাকতত দিয়া নিৰ্দিষ্ট স্থানৰ ৰাহিৰে অন্যত ঐনো নিলিখিবা ।
8. শুদ্ধ কৰিবলৈ বগা চিয়াঁহী ব্যৱহাৰ কৰিবলৈ দিয়া ***নহ'ব*** ।

**In case of any ambiguity in translation of any question, English version shall be treated as final.**

**কোনো প্ৰশ্নৰ অনুবাদৰ অনিশ্চয়তাৰ ক্ষেত্ৰত, ইংৰাজী ভাষায় প্ৰশ্নকে অন্তিম বুলি গন্য কৰা হ'ব ।**

Name of the Candidate (in Capitals) : ____________________

Roll Number : in figures ____________________

: in words ____________________

Centre of Examination (in Capitals) : ____________________

Candidate's Signature : ____________________ Invigilator's Signature : ____________________

Facsimile signature stamp of
Centre Superintendent : ____________________



ZOLLEGE

**1.** The geometry and magnetic behaviour of the complex $[Ni(CO)_4]$ are

(1) square planar geometry and diamagnetic
(2) tetrahedral geometry and diamagnetic
(3) square planar geometry and paramagnetic
(4) tetrahedral geometry and paramagnetic

**2.** Iron carbonyl, $Fe(CO)_5$ is

(1) tetranuclear
(2) mononuclear
(3) trinuclear
(4) dinuclear

**3.** Which one of the following ions exhibits d-d transition and paramagnetism as well ?

(1) $CrO_4^{2-}$
(2) $Cr_2O_7^{2-}$
(3) $MnO_4^{-}$
(4) $MnO_4^{2-}$

**4.** The type of isomerism shown by the complex $[CoCl_2(en)_2]$ is

(1) Geometrical isomerism
(2) Coordination isomerism
(3) Ionization isomerism
(4) Linkage isomerism

**5.** Match the metal ions given in Column I with the spin magnetic moments of the ions given in Column II and assign the ***correct*** code :

| | *Column I* | | *Column II* |
|---|---|---|---|
| a. | $Co^{3+}$ | i. | $\sqrt{8}$ B.M. |
| b. | $Cr^{3+}$ | ii. | $\sqrt{35}$ B.M. |
| c. | $Fe^{3+}$ | iii. | $\sqrt{3}$ B.M. |
| d. | $Ni^{2+}$ | iv. | $\sqrt{24}$ B.M. |
| | | v. | $\sqrt{15}$ B.M. |

| | **a** | **b** | **c** | **d** |
|---|---|---|---|---|
| (1) | iv | v | ii | i |
| (2) | i | ii | iii | iv |
| (3) | iv | i | ii | iii |
| (4) | iii | v | i | ii |

**1.** জটিল যৌগ $[Ni(CO)_4]$ ৰ জ্যামিতি আৰু চুম্বকীয় বৈশিষ্ট্য হ'ল

(1) বৰ্গ সমতলীয় জ্যামিতি আৰু অপচুম্বকীয়
(2) চতুঃফলকীয় জ্যামিতি আৰু অপচুম্বকীয়
(3) বৰ্গ সমতলীয় জ্যামিতি আৰু অনুচুম্বকীয়
(4) চতুঃফলকীয় জ্যামিতি আৰু অনুচুম্বকীয়

**2.** আইৰণ কাৰ্বনিল, $Fe(CO)_5$ হ'ল

(1) চতুঃনিয়ক্লীয়
(2) একনিয়ক্লীয়
(3) ত্ৰিনিয়ক্লীয়
(4) দ্বিনিয়ক্লীয়

**3.** নিম্নোক্ত কেইটাৰ কোনটো আয়নে d-d সংক্ৰমণ আৰু লগতে অনুচুম্বকত্ব দেখুৱায় ?

(1) $CrO_4^{2-}$
(2) $Cr_2O_7^{2-}$
(3) $MnO_4^{-}$
(4) $MnO_4^{2-}$

**4.** জটিল যৌগ $[CoCl_2(en)_2]$ য়ে দেখুৱা সমযোগিতাৰ প্ৰকাৰ হ'ল

(1) জ্যামিতীয় সমযোগিতা
(2) সমন্বয়ী সমযোগিতা
(3) আয়নীভৱন সমযোগিতা
(4) সংযোগী সমযোগিতা

**5.** স্তম্ভ I ত দিয়া ধাতৱ আয়ন কেইটা স্তম্ভ II ত দিয়া স্পিন চুম্বকীয় ভ্ৰামকৰ লগত মিলোৱা আৰু ***শুদ্ধ*** কোড নিৰ্ধাৰণ কৰা :

| | *স্তম্ভ I* | | *স্তম্ভ II* |
|---|---|---|---|
| a. | $Co^{3+}$ | i. | $\sqrt{8}$ B.M. |
| b. | $Cr^{3+}$ | ii. | $\sqrt{35}$ B.M. |
| c. | $Fe^{3+}$ | iii. | $\sqrt{3}$ B.M. |
| d. | $Ni^{2+}$ | iv. | $\sqrt{24}$ B.M. |
| | | v. | $\sqrt{15}$ B.M. |

| | **a** | **b** | **c** | **d** |
|---|---|---|---|---|
| (1) | iv | v | ii | i |
| (2) | i | ii | iii | iv |
| (3) | iv | i | ii | iii |
| (4) | iii | v | i | ii |


ZOLLEGE

**6.** Which one of the following elements is unable to form $MF_6^{3-}$ ion ?

(1) Ga

(2) Al

(3) B

(4) In

**7.** The correct order of N-compounds in its decreasing order of oxidation states is

(1) $HNO_3$, NO, $N_2$, $NH_4Cl$

(2) $HNO_3$, NO, $NH_4Cl$, $N_2$

(3) $HNO_3$, $NH_4Cl$, NO, $N_2$

(4) $NH_4Cl$, $N_2$, NO, $HNO_3$

**8.** Considering Ellingham diagram, which of the following metals can be used to reduce alumina ?

(1) Fe

(2) Zn

(3) Mg

(4) Cu

**9.** Which of the following statements is ***not*** true for halogens ?

(1) All form monobasic oxyacids.

(2) All are oxidizing agents.

(3) All but fluorine show positive oxidation states.

(4) Chlorine has the highest electron-gain enthalpy.

**10.** In the structure of $ClF_3$, the number of lone pairs of electrons on central atom 'Cl' is

(1) one

(2) two

(3) four

(4) three

**11.** The correct order of atomic radii in group 13 elements is

(1) B < Al < In < Ga < Tl

(2) B < Al < Ga < In < Tl

(3) B < Ga < Al < Tl < In

(4) B < Ga < Al < In < Tl

**6.** নিম্নোক্ত কোনটো মৌলই $MF_6^{3-}$ আয়ন গঠন কৰিবলৈ অসমৰ্থ ?

(1) Ga

(2) Al

(3) B

(4) In

**7.** N-যৌগ সমূহ ইয়াৰ নিম্নগামী ভাৰণ অৱস্থাত কম কৰা শুদ্ধ ক্ৰমটো হ'ল

(1) $HNO_3$, NO, $N_2$, $NH_4Cl$

(2) $HNO_3$, NO, $NH_4Cl$, $N_2$

(3) $HNO_3$, $NH_4Cl$, NO, $N_2$

(4) $NH_4Cl$, $N_2$, NO, $HNO_3$

**8.** এলিংঘম ৰ চিত্ৰৰ ওপৰত ভিত্তি কৰি নিম্নোক্ত ধাতু সমূহৰ কোনটো এলুমিনা বিজাৰণ কৰিবলৈ ব্যৱহাৰ কৰিব পাৰি ?

(1) Fe

(2) Zn

(3) Mg

(4) Cu

**9.** হেলোজেন সমূহৰ কাৰণে নিম্নোক্ত কোনটো উক্তি সত্য ***নহয়*** ?

(1) আটাইবিলাকে এক ক্ষাৰকীয় অক্সিএছিড গঠন কৰে।

(2) আটাইবিলাক জাৰক ।

(3) ফ্লুৰিণক বাদ দি আটাইয়ে ধনাত্মক জাৰণ অৱস্থা দেখুৱায় ।

(4) ক্লৰিণৰ ইলেকট্ৰন-লব্ধ এন্থেলপি সৰ্ব্বোচ্চ ।

**10.** $ClF_3$ ৰ গঠনত কেন্দ্ৰীয় পৰমাণু 'Cl' ত ইলেক্ট্ৰনৰ একাকী যুগ্মৰ সংখ্যা হ'ল

(1) এটা

(2) দুটা

(3) চাৰিটা

(4) তিনিটা

**11.** 13 নং বৰ্গৰ মৌলবিলাকৰ পাৰমাণৱিক ব্যাসাৰ্দ্ধৰ শুদ্ধ ক্ৰমটো হ'ল

(1) B < Al < In < Ga < Tl

(2) B < Al < Ga < In < Tl

(3) B < Ga < Al < Tl < In

(4) B < Ga < Al < In < Tl



SPACE FOR ROUGH WORK

ZOLLEGE

**12.** Nitration of aniline in strong acidic medium also gives m-nitroaniline because

(1) In spite of substituents nitro group always goes to only m-position.

(2) In electrophilic substitution reactions amino group is meta directive.

(3) In absence of substituents nitro group always goes to m-position.

(4) In acidic (strong) medium aniline is present as anilinium ion.

**13.** Regarding cross-linked or network polymers, which of the following statements is ***incorrect*** ?

(1) They contain covalent bonds between various linear polymer chains.

(2) They are formed from bi- and tri-functional monomers.

(3) Examples are bakelite and melamine.

(4) They contain strong covalent bonds in their polymer chains.

**14.** The difference between amylose and amylopectin is

(1) Amylopectin have $1 \rightarrow 4$ $\alpha$-linkage and $1 \rightarrow 6$ $\alpha$-linkage

(2) Amylose have $1 \rightarrow 4$ $\alpha$-linkage and $1 \rightarrow 6$ $\beta$-linkage

(3) Amylopectin have $1 \rightarrow 4$ $\alpha$-linkage and $1 \rightarrow 6$ $\beta$-linkage

(4) Amylose is made up of glucose and galactose

**15.** A mixture of 2·3 g formic acid and 4·5 g oxalic acid is treated with conc. $H_2SO_4$. The evolved gaseous mixture is passed through KOH pellets. Weight (in g) of the remaining product at STP will be

(1) 1·4

(2) 3·0

(3) 2·8

(4) 4·4

**16.** Which of the following oxides is most acidic in nature ?

(1) MgO

(2) BeO

(3) BaO

(4) CaO

**12.** তীব্ৰ আম্লিক মাধ্যমত এনিলিনৰ নাইট্ৰেচনে m-নাইট্ৰ'এনিলিনো দিয়ে, কাৰণ

(1) প্ৰতিষ্ঠিত মূলক যিয়েই নহওঁক কিয় নাইট্ৰো মূলটো সদায় m-স্থানত যায় ।

(2) ইলেকট্ৰনস্নেহী প্ৰতিষ্ঠাপন বিক্ৰিয়াত এমিনো মূলক টো m-নিৰ্দেশক ।

(3) প্ৰতিষ্ঠিত মূলকৰ অনুপস্থিতিত নাইট্ৰো মূলক সদায় m-স্থানত যায় ।

(4) আম্লিক (তীব্ৰ) মাধ্যমত এনিলিন এনিলিনিয়াম আয়ন হিচাবে থাকে ।

**13.** Cross-linked অথবা network পলিমাৰৰ ক্ষেত্ৰত নিম্নোক্ত উক্তি কেইটাৰ কোনটো ***অশুদ্ধ*** ?

(1) সিবিলাকত বিভিন্ন ৰৈখিক পলিমাৰ শৃংখলৰ মাজত সমযোজ্য বান্ধনি থাকে ।

(2) সিবিলাক দ্বি-আৰু ত্ৰি-কাৰ্য্যকৰী মূলকীয় ম'নমাৰৰ দ্বাৰা গঠন হয় ।

(3) উদাহৰণ হ'ল বেকেলাইট, মেলামিন ।

(4) সিবিলাকৰ পলিমাৰ শৃংখলত সবল সমযোজ্য বান্ধনি থাকে ।

**14.** এমাইল'জ আৰু এমাইলোপেক্টিনৰ মাজত পাৰ্থক্য হ'ল

(1) এমাইলোপেক্টিনত $1 \rightarrow 4$ $\alpha$-লিংকেজ আৰু $1 \rightarrow 6$ $\alpha$-লিংকেজ আছে

(2) এমাইল'জত $1 \rightarrow 4$ $\alpha$-লিংকেজ আৰু $1 \rightarrow 6$ $\beta$-লিংকেজ আছে

(3) এমাইলোপেক্টিনত $1 \rightarrow 4$ $\alpha$-লিংকেজ আৰু $1 \rightarrow 6$ $\beta$-লিংকেজ আছে

(4) গ্লুক'জ আৰু গেলেকট'জৰে এমাইল'জ বনোৱা হয়

**15.** 2·3 g ফৰমিক এছিড আৰু 4·5 g অক্জেলিক এছিডৰ এটা মিশ্ৰণ গাঢ় $H_2SO_4$ ৰ লগত বিক্ৰিয়া কৰিবলৈ দিয়া হ'ল । নিৰ্গত গেছীয় মিশ্ৰণটো KOH ৰ পেলেটৰ মাজেৰে যাবলৈ দিয়া হ'ল । প্ৰমাণ চাপ আৰু উষ্ণতাত (STP) বাকী থকা উৎপন্নৰ ভাৰ (g ৰ) হ'ব

(1) 1·4

(2) 3·0

(3) 2·8

(4) 4·4

**16.** নিম্নোক্ত অক্সাইডবিলাকৰ কোনটো সৰ্বাতাকৈ বেছি আম্লিক ?

(1) MgO

(2) BeO

(3) BaO

(4) CaO



SPACE FOR ROUGH WORK

ZOLLEGE

**17.** Compound A, $C_8H_{10}O$, is found to react with NaOI (produced by reacting Y with NaOH) and yields a yellow precipitate with characteristic smell.

A and Y are respectively

(1)  and $I_2$

(2)  and $I_2$

(3)  and $I_2$

(4)  and $I_2$

**18.** In the reaction



the electrophile involved is

(1) dichloromethyl cation ($\overset{\oplus}{C}HCl_2$)

(2) formyl cation ($\overset{\oplus}{C}HO$)

(3) dichloromethyl anion ($\overset{\ominus}{C}HCl_2$)

(4) dichlorocarbene ($:CCl_2$)

**19.** Carboxylic acids have higher boiling points than aldehydes, ketones and even alcohols of comparable molecular mass. It is due to their

(1) formation of intramolecular H-bonding

(2) formation of carboxylate ion

(3) more extensive association of carboxylic acid via van der Waals force of attraction

(4) formation of intermolecular H-bonding

**17.** যৌগ A, $C_8H_{10}O$ আৰু NaOI (NaOH ৰ লগত Y ৰ বিক্ৰিয়াৰ দ্বাৰা উৎপন্ন) ৰ মাজত হোৱা বিক্ৰিয়াৰ দ্বাৰা বৈশিষ্ট্যতাপূৰ্ণ গোন্ধৰ এবিধ হালধীয়া অধঃক্ষেপ পোৱা হয় ।

A আৰু Y যথাক্ৰমে হ'ল

(1)  আৰু $I_2$

(2)  আৰু $I_2$

(3)  আৰু $I_2$

(4)  আৰু $I_2$

**18.** তলত বিক্ৰিয়াটোত



পৰা জড়িত ইলেক্‌ট্ৰ'ফাইলটো হ'ল

(1) ডাইক্ল'ৰোমিথাইল কেটায়ন ($\overset{\oplus}{C}HCl_2$)

(2) ফৰমাইল কেটায়ন ($\overset{\oplus}{C}HO$)

(3) ডাইক্লৰ'মিথাইল এনায়ন ($\overset{\ominus}{C}HCl_2$)

(4) ডাইক্লৰ'কাৰ্বিন ($:CCl_2$)

**19.** তুলনাত্মক আনৱিক ভৰৰ এলডিহাইড, কিটোন আৰু আনকি এলকহলৰ উতলাংকতকৈ কাৰ্বক্সিলিক এছিড বিলাকৰ উতলাংক বেছি হয় । ইয়াৰ কাৰণ হ'ল সিবিলাকৰ

(1) অন্তঃআনৱীয় H-বান্ধনি গঠন

(2) কাৰ্বক্সিলেট আয়ন গঠন

(3) ভানডাৰ ৱালৰ আকৰ্ষণ বলৰ মাধ্যমেৰে কাৰ্বক্সিলিক এছিডৰ অতিবেছি সংযোগ ভৱন

(4) আন্তঃআনৱীয় H-বান্ধনি গঠন



ZOLLEGE

**20.** Which of the following molecules represents the order of hybridisation $sp^2$, $sp^2$, sp, sp from left to right atoms ?

(1) $HC \equiv C - C \equiv CH$

(2) $CH_2 = CH - C \equiv CH$

(3) $CH_2 = CH - CH = CH_2$

(4) $CH_3 - CH = CH - CH_3$

**21.** Which of the following carbocations is expected to be most stable ?

(1)



(2)



(3)



(4)



**22.** Which of the following is correct with respect to – I effect of the substituents ? (R = alkyl)

(1) $-NH_2 < -OR < -F$

(2) $-NR_2 < -OR < -F$

(3) $-NH_2 > -OR > -F$

(4) $-NR_2 > -OR > -F$

**20.** নিম্নোক্ত অনুকেইটাৰ কোনটোত বাওঁফালৰ পৰা সোঁফাললৈ কাৰ্বন পৰমাণুৰ সংকৰণৰ ক্ৰম $sp^2$, $sp^2$, sp, sp দ্বাৰা বুজোৱা যায় ?

(1) $HC \equiv C - C \equiv CH$

(2) $CH_2 = CH - C \equiv CH$

(3) $CH_2 = CH - CH = CH_2$

(4) $CH_3 - CH = CH - CH_3$

**21.** নিম্নোক্ত কাৰ্বকেটায়ন কেইটাৰ কোনটো আটাইতকৈ বেছি সুস্থিৰ বুলি আশা কৰা যায় ?

(1)



(2)



(3)



(4)



**22.** নিম্নোক্ত প্ৰতিষ্ঠাপক কেইটাৰ – I ইফেক্টৰ কোনটো ক্ৰম শুদ্ধ ? (R = এলকাইল)

(1) $-NH_2 < -OR < -F$

(2) $-NR_2 < -OR < -F$

(3) $-NH_2 > -OR > -F$

(4) $-NR_2 > -OR > -F$



SPACE FOR ROUGH WORK

ZOLLEGE

**23.** Which oxide of nitrogen is ***not*** a common pollutant introduced into the atmosphere both due to natural and human activity ?

(1) $N_2O_5$

(2) $NO_2$

(3) $N_2O$

(4) NO

**24.** The compound A on treatment with Na gives B, and with $PCl_5$ gives C. B and C react together to give diethyl ether. A, B and C are in the order

(1) $C_2H_5OH, C_2H_6, C_2H_5Cl$

(2) $C_2H_5OH, C_2H_5Cl, C_2H_5ONa$

(3) $C_2H_5Cl, C_2H_6, C_2H_5OH$

(4) $C_2H_5OH, C_2H_5ONa, C_2H_5Cl$

**25.** The compound $C_7H_8$ undergoes the following reactions :

$$C_7H_8 \xrightarrow{3\,Cl_2/\Delta} A \xrightarrow{Br_2/Fe} B \xrightarrow{Zn/HCl} C$$

The product 'C' is

(1) *m*-bromotoluene

(2) *o*-bromotoluene

(3) 3-bromo-2,4,6-trichlorotoluene

(4) *p*-bromotoluene

**26.** Hydrocarbon (A) reacts with bromine by substitution to form an alkyl bromide which by Wurtz reaction is converted to gaseous hydrocarbon containing less than four carbon atoms. (A) is

(1) $CH \equiv CH$

(2) $CH_2 = CH_2$

(3) $CH_3 - CH_3$

(4) $CH_4$

**23.** নাইট্ৰ'জেনৰ নিম্নোক্ত কোনটো অক্সাইড প্ৰাকৃতিক আৰু মানৱ ক্ৰিয়া-কলাপৰ উভয়ক্ষেত্ৰৰ পৰা প্ৰদূষক হিচাৱে বায়ুমণ্ডলত এৰি দিয়া ***নহয়*** ?

(1) $N_2O_5$

(2) $NO_2$

(3) $N_2O$

(4) NO

**24.** যৌগ A য়ে Na ৰ লগত বিক্ৰিয়া কৰি B আৰু $PCl_5$ লগত বিক্ৰিয়া কৰি C দিয়ে । B আৰু C য়ে বিক্ৰিয়া কৰি ডাইইথাইল ইথাৰ দিয়ে । A, B আৰু C যথাক্ৰমে হ'ল

(1) $C_2H_5OH, C_2H_6, C_2H_5Cl$

(2) $C_2H_5OH, C_2H_5Cl, C_2H_5ONa$

(3) $C_2H_5Cl, C_2H_6, C_2H_5OH$

(4) $C_2H_5OH, C_2H_5ONa, C_2H_5Cl$

**25.** যৌগ $C_7H_8$ য়ে তলত উল্লেখিত বিক্ৰিয়া দেখুৱায় :

$$C_7H_8 \xrightarrow{3\,Cl_2/\Delta} A \xrightarrow{Br_2/Fe} B \xrightarrow{Zn/HCl} C$$

বিক্ৰিয়াজাতক (product) 'C' হ'ল

(1) *m*-ব্ৰম'টলুইন

(2) *o*-ব্ৰম'টলুইন

(3) 3-ব্ৰম'-2,4,6-টাইক্লৰ'টলুইন

(4) *p*-ব্ৰম'টলুইন

**26.** ব্ৰ'মিনৰ লগত প্ৰতিষ্ঠাপন বিক্ৰিয়াৰ দ্বাৰা এটা হাইড্ৰ'কাৰ্বন (A) য়ে এটা এলকাইল ব্ৰ'মাইড গঠন কৰে আৰু এই এলকাইল ব্ৰ'মাইডটো উৰ্জৰ বিক্ৰিয়াৰ দ্বাৰা চাৰিটাতকৈ কম কাৰ্বন থকা এটা গেছীয় হাইড্ৰ'কাৰ্বনলৈ পৰিবৰ্তন হয় । (A) টো হ'ল

(1) $CH \equiv CH$

(2) $CH_2 = CH_2$

(3) $CH_3 - CH_3$

(4) $CH_4$



SPACE FOR ROUGH WORK

**27.** Identify the major products P, Q and R in the following sequence of reactions :



$$+ CH_3CH_2CH_2Cl \xrightarrow[AlCl_3]{Anhydrous}$$

$$P \xrightarrow[\text{(ii) } H_3O^+/\Delta]{\text{(i) } O_2} Q + R$$

| | P | Q | R |
|---|---|---|---|

(1) 

, $CH_3CH_2-OH$

(2) 


(3) 

, $CH_3CH(OH)CH_3$

(4) 

, $CH_3-CO-CH_3$

**28.** Which of the following compounds can form a zwitterion ?

(1) Aniline

(2) Acetanilide

(3) Benzoic acid

(4) Glycine

**27.** তলত উল্লেখিত বিক্ৰিয়া শৃংখলত মুখ্য বিক্ৰিয়াজাতক (products) P, Q আৰু R চিনাক্ত কৰা :



$$+ CH_3CH_2CH_2Cl \xrightarrow[AlCl_3]{\text{নিৰ্জল}}$$

$$P \xrightarrow[\text{(ii) } H_3O^+/\Delta]{\text{(i) } O_2} Q + R$$

| | P | Q | R |
|---|---|---|---|

(1) 

, $CH_3CH_2-OH$

(2) 


(3) 

, $CH_3CH(OH)CH_3$

(4) 

, $CH_3-CO-CH_3$

**28.** তলত দিয়া যৌগসমূহৰ কোনটোৱে টুইস্টৰ (zwitterion) আয়ন গঠন কৰিব পাৰে ?

(1) এনিলিন

(2) এছিটানিলাইড

(3) বেনজইক এছিড

(4) গ্লাইছিন

 SPACE FOR ROUGH WORK ZOLLEGE

**29.** For the redox reaction

$MnO_4^- + C_2O_4^{2-} + H^+ \longrightarrow Mn^{2+} + CO_2 + H_2O$

the correct coefficients of the reactants for the balanced equation are

| | $MnO_4^-$ | $C_2O_4^{2-}$ | $H^+$ |
|---|---|---|---|
| (1) | 16 | 5 | 2 |
| (2) | 2 | 5 | 16 |
| (3) | 2 | 16 | 5 |
| (4) | 5 | 16 | 2 |

**30.** Which one of the following conditions will favour maximum formation of the product in the reaction,

$A_2(g) + B_2(g) \rightleftharpoons X_2(g) \quad \Delta_rH = -X\ kJ$ ?

(1) Low temperature and high pressure
(2) Low temperature and low pressure
(3) High temperature and high pressure
(4) High temperature and low pressure

**31.** When initial concentration of the reactant is doubled, the half-life period of a zero order reaction

(1) is halved
(2) is doubled
(3) is tripled
(4) remains unchanged

**32.** The bond dissociation energies of $X_2$, $Y_2$ and XY are in the ratio of 1 : 0·5 : 1. ΔH for the formation of XY is $-200\ kJ\ mol^{-1}$. The bond dissociation energy of $X_2$ will be

(1) $200\ kJ\ mol^{-1}$
(2) $100\ kJ\ mol^{-1}$
(3) $800\ kJ\ mol^{-1}$
(4) $400\ kJ\ mol^{-1}$

**33.** The correction factor 'a' to the ideal gas equation corresponds to

(1) density of the gas molecules
(2) volume of the gas molecules
(3) electric field present between the gas molecules
(4) forces of attraction between the gas molecules

**29.** জাৰণ-বিজাৰণ বিক্রিয়া

$MnO_4^- + C_2O_4^{2-} + H^+ \longrightarrow Mn^{2+} + CO_2 + H_2O$ ৰ

সন্তুলিত সমীকৰণৰ বাবে বিক্রিয়ক কেইটাৰ শুদ্ধ গুনাংক হ'ল

| | $MnO_4^-$ | $C_2O_4^{2-}$ | $H^+$ |
|---|---|---|---|
| (1) | 16 | 5 | 2 |
| (2) | 2 | 5 | 16 |
| (3) | 2 | 16 | 5 |
| (4) | 5 | 16 | 2 |

**30.** তলত দিয়া চৰ্তসমূহৰ কোনোটায়ে নিম্নোক্ত বিক্রিয়াত উৎপন্নৰ মাত্রা সৰ্ব্বোধিক হোৱাৰ সপক্ষে যাব

$A_2(g) + B_2(g) \rightleftharpoons X_2(g) \quad \Delta_rH = -X\ kJ$ ?

(1) নিম্ন উষ্ণতা আৰু উচ্চ চাপ
(2) নিম্ন উষ্ণতা আৰু নিম্ন চাপ
(3) উচ্চ উষ্ণতা আৰু উচ্চ চাপ
(4) উচ্চ উষ্ণতা আৰু নিম্ন চাপ

**31.** যেতিয়া এটা বিক্রিয়কৰ প্রাৰম্ভিক গাঢ়তা দুগুণ কৰা হয়, এটা শূন্য ক্রম বিক্রিয়াৰ অৰ্ধায়ু

(1) আধা হয়
(2) দুগুণ হয়
(3) তিনিগুণ হয়
(4) অপৰিবৰ্তিত থাকে

**32.** $X_2$, $Y_2$ আৰু XY ৰ বান্ধনি বিয়োজন শক্তিৰ অনুপাত হ'ল 1 : 0·5 : 1 । XY গঠনৰ বাবে ΔH ৰ মান হ'ল $-200\ kJ\ mol^{-1}$ । $X_2$ ৰ বানুনি বিয়োজন শক্তি হ'ব

(1) $200\ kJ\ mol^{-1}$
(2) $100\ kJ\ mol^{-1}$
(3) $800\ kJ\ mol^{-1}$
(4) $400\ kJ\ mol^{-1}$

**33.** আদৰ্শ-গেছ সমীকৰণত প্রযোজ্য শুধৰণী-উৎপাদক 'a' নিম্নোক্ত কোনটোৰ কাৰণে হয়

(1) গেছ অনুবিলাকৰ ঘনত্ব
(2) গেছ অনুবিলাকৰ আয়তন
(3) গেছ অনুবিলাকৰ মাজত থকা ইলেকট্রিক ফিল্ড
(4) গেছ অনুবিলাকৰ মাজত আকৰ্ষণ বল



ZOLLEGE

**34.** Given van der Waals constant for $NH_3$, $H_2$, $O_2$ and $CO_2$ are respectively 4·17, 0·244, 1·36 and 3·59, which one of the following gases is most easily liquefied ?

(1) $NH_3$

(2) $H_2$

(3) $O_2$

(4) $CO_2$

**35.** Following solutions were prepared by mixing different volumes of NaOH and HCl of different concentrations :

a. $60\text{ mL } \frac{M}{10}\text{ HCl} + 40\text{ mL } \frac{M}{10}\text{ NaOH}$

b. $55\text{ mL } \frac{M}{10}\text{ HCl} + 45\text{ mL } \frac{M}{10}\text{ NaOH}$

c. $75\text{ mL } \frac{M}{5}\text{ HCl} + 25\text{ mL } \frac{M}{5}\text{ NaOH}$

d. $100\text{ mL } \frac{M}{10}\text{ HCl} + 100\text{ mL } \frac{M}{10}\text{ NaOH}$

pH of which one of them will be equal to 1 ?

(1) b

(2) a

(3) d

(4) c

**36.** The solubility of $BaSO_4$ in water is $2{\cdot}42 \times 10^{-3}\ gL^{-1}$ at 298 K. The value of its solubility product ($K_{sp}$) will be

(Given molar mass of $BaSO_4$ = 233 g $mol^{-1}$)

(1) $1{\cdot}08 \times 10^{-10}\ mol^2\ L^{-2}$

(2) $1{\cdot}08 \times 10^{-12}\ mol^2\ L^{-2}$

(3) $1{\cdot}08 \times 10^{-14}\ mol^2\ L^{-2}$

(4) $1{\cdot}08 \times 10^{-8}\ mol^2\ L^{-2}$

**37.** On which of the following properties does the coagulating power of an ion depend ?

(1) The magnitude of the charge on the ion alone

(2) Size of the ion alone

(3) Both magnitude and sign of the charge on the ion

(4) The sign of charge on the ion alone

**34.** $NH_3$, $H_2$, $O_2$ আৰু $CO_2$ ৰ বাবে বান্ডৰ বাল্স্ ৰ ধ্ৰুৱক যথাক্ৰমে 4·17, 0·244, 1·36 আৰু 3·59 দিয়া আছে । গেছ কেইটাৰ কোনটো সবাতোকৈ সহজে জুলিয়া কৰিব পৰা যায় ?

(1) $NH_3$

(2) $H_2$

(3) $O_2$

(4) $CO_2$

**35.** NaOH আৰু HCl ৰ ভিন্ন গাঢ়তা আৰু ভিন্ন আয়তনৰ দ্ৰৱ মিহলি কৰি তলত উল্লেখ কৰা দ্ৰৱ কেইটা বনোৱা হ'ল :

a. $60\text{ mL } \frac{M}{10}\text{ HCl} + 40\text{ mL } \frac{M}{10}\text{ NaOH}$

b. $55\text{ mL } \frac{M}{10}\text{ HCl} + 45\text{ mL } \frac{M}{10}\text{ NaOH}$

c. $75\text{ mL } \frac{M}{5}\text{ HCl} + 25\text{ mL } \frac{M}{5}\text{ NaOH}$

d. $100\text{ mL } \frac{M}{10}\text{ HCl} + 100\text{ mL } \frac{M}{10}\text{ NaOH}$

কোনটো মিশ্ৰণ দ্ৰৱৰ pH, 1 ৰ সমান হ'ব ?

(1) b

(2) a

(3) d

(4) c

**36.** 298 K উষ্ণতাত পাণীত $BaSO_4$ ৰ দ্ৰাব্যতা হ'ল $2{\cdot}42 \times 10^{-3}\ gL^{-1}$ । ইয়াৰ দ্ৰাব্যতা গুণফল ($K_{sp}$) ৰ মান হ'ব

(দিয়া হ'ল $BaSO_4$ ৰ ম'লাৰ ভৰ = 233 g $mol^{-1}$)

(1) $1{\cdot}08 \times 10^{-10}\ mol^2\ L^{-2}$

(2) $1{\cdot}08 \times 10^{-12}\ mol^2\ L^{-2}$

(3) $1{\cdot}08 \times 10^{-14}\ mol^2\ L^{-2}$

(4) $1{\cdot}08 \times 10^{-8}\ mol^2\ L^{-2}$

**37.** এটা আয়নৰ বহিঃক্ষেপন ক্ষমতা কোনটো ধৰ্ম্মৰ ওপৰত নিৰ্ভৰ কৰে ?

(1) অকল আয়নটোত থকা আধানৰ মাত্ৰা

(2) অকল আয়নটোৰ আকাৰ

(3) আয়নটোৰ আধানৰ মাত্ৰা আৰু চিহ্ন দুয়োটা

(4) অকল আয়নটোৰ আধানৰ চিহ্নটো



SPACE FOR ROUGH WORK

ZOLLEGE

**38.** The correct difference between first- and second-order reactions is that

(1) the rate of a first-order reaction does not depend on reactant concentrations; the rate of a second-order reaction does depend on reactant concentrations

(2) the half-life of a first-order reaction does not depend on $[A]_0$; the half-life of a second-order reaction does depend on $[A]_0$

(3) a first-order reaction can be catalyzed; a second-order reaction cannot be catalyzed

(4) the rate of a first-order reaction does depend on reactant concentrations; the rate of a second-order reaction does not depend on reactant concentrations

**39.** Consider the change in oxidation state of Bromine corresponding to different emf values as shown in the diagram below :




Then the species undergoing disproportionation is

(1) $BrO_3^-$

(2) $BrO_4^-$

(3) $Br_2$

(4) HBrO

**40.** In which case is the number of molecules of water maximum ?

(1) 18 mL of water

(2) 0·18 g of water

(3) 0·00224 L of water vapours at 1 atm and 273 K

(4) $10^{-3}$ mol of water

**41.** Among $CaH_2$, $BeH_2$, $BaH_2$, the order of ionic character is

(1) $BeH_2 < CaH_2 < BaH_2$

(2) $CaH_2 < BeH_2 < BaH_2$

(3) $BeH_2 < BaH_2 < CaH_2$

(4) $BaH_2 < BeH_2 < CaH_2$

**38.** প্ৰথম আৰু দ্বিতীয় ক্ৰমৰ বিক্ৰিয়াৰ মাজত শুদ্ধ পাৰ্থক্যটো হ'ল

(1) প্ৰথম ক্ৰম বিক্ৰিয়াৰ হাৰ বিক্ৰিয়ক বিলাকৰ গাঢ়তাৰ ওপৰত নিৰ্ভৰ নকৰে; দ্বিতীয় ক্ৰম বিক্ৰিয়াৰ হাৰ বিক্ৰিয়ক বিলাকৰ গাঢ়তাৰ ওপৰত নিৰ্ভৰ কৰে

(2) প্ৰথম ক্ৰমৰ বিক্ৰিয়াৰ অৰ্ধায়ু $[A]_0$ ৰ ওপৰত নিৰ্ভৰ নকৰে; দ্বিতীয় ক্ৰমৰ বিক্ৰিয়াৰ অৰ্ধায়ু $[A]_0$ ওপৰত নিৰ্ভৰ কৰে

(3) প্ৰথম ক্ৰম বিক্ৰিয়াৰ অনুঘটন হ'ব পাৰে; দ্বিতীয় ক্ৰম বিক্ৰিয়াৰ অনুঘটন হ'ব নোৱাৰে

(4) প্ৰথম ক্ৰম বিক্ৰিয়াৰ হাৰ বিক্ৰিয়ক বিলাকৰ গাঢ়তাৰ ওপৰত নিৰ্ভৰ কৰে; দ্বিতীয় ক্ৰম বিক্ৰিয়াৰ হাৰ বিক্ৰিয়কৰ গাঢ়তাৰ ওপৰত নিৰ্ভৰ নকৰে

**39.** তলত দিয়া চিত্ৰত দেখুৱাৰ দৰে emf মানৰ ওপৰত নিৰ্ভৰ কৰি হোৱা ব্ৰ'মিনৰ জাৰণ অৱস্থাৰ সলনি লক্ষ্য কৰা :




অসমঞ্জস বিক্ৰিয়া দেখুৱা অনুপুঞ্জটো হ'ল

(1) $BrO_3^-$

(2) $BrO_4^-$

(3) $Br_2$

(4) HBrO

**40.** কোনটোৰ ক্ষেত্ৰত পানীৰ অনুৰ সংখ্যা সৰ্ব্বাধিক ?

(1) 18 mL পানী

(2) 0·18 g পানী

(3) 0·00224 L পানীৰ বাষ্প 1 atm চাপ আৰু 273 K উষ্ণতাত

(4) $10^{-3}$ ম'ল পানী

**41.** $CaH_2$, $BeH_2$, $BaH_2$ ৰ মাজত আয়নীয় বৈশিষ্ট্যৰ ক্ৰম হ'ল

(1) $BeH_2 < CaH_2 < BaH_2$

(2) $CaH_2 < BeH_2 < BaH_2$

(3) $BeH_2 < BaH_2 < CaH_2$

(4) $BaH_2 < BeH_2 < CaH_2$

**42.** Magnesium reacts with an element (X) to form an ionic compound. If the ground state electronic configuration of (X) is $1s^2\ 2s^2\ 2p^3$, the simplest formula for this compound is

(1) $Mg_2X_3$

(2) $MgX_2$

(3) $Mg_2X$

(4) $Mg_3X_2$

**43.** Iron exhibits bcc structure at room temperature. Above 900°C, it transforms to fcc structure. The ratio of density of iron at room temperature to that at 900°C (assuming molar mass and atomic radii of iron remains constant with temperature) is

(1) $\frac{\sqrt{3}}{\sqrt{2}}$

(2) $\frac{4\sqrt{3}}{3\sqrt{2}}$

(3) $\frac{3\sqrt{3}}{4\sqrt{2}}$

(4) $\frac{1}{2}$

**44.** Consider the following species :

$CN^+$, $CN^-$, NO and CN

Which one of these will have the highest bond order ?

(1) NO

(2) $CN^-$

(3) $CN^+$

(4) CN

**45.** Which one is a ***wrong*** statement ?

(1) Total orbital angular momentum of electron in 's' orbital is equal to zero.

(2) An orbital is designated by three quantum numbers while an electron in an atom is designated by four quantum numbers.

(3) The electronic configuration of N atom is

| $1s^2$ | $2s^2$ | $2p_x^1$ | $2p_y^1$ | $2p_z^1$ |
|---|---|---|---|---|
| ↑↓ | ↑↓ | ↑ | ↑ | ↓ |

(4) The value of m for $d_{z^2}$ is zero.

**42.** এটা মৌল (X) ৰ লগত বিক্ৰিয়া কৰি মেগনেছিয়ামে – এটা আয়নীয় যৌগ গঠন কৰে । যদি (X) ৰ ভূমি অৱস্থা ইলেকট্ৰনীয় বিন্যাস $1s^2\ 2s^2\ 2p^3$ হয়, তেন্তে এই যৌগটাৰ সৰলতম ফৰ্মূলাটো হ'ল

(1) $Mg_2X_3$

(2) $MgX_2$

(3) $Mg_2X$

(4) $Mg_3X_2$

**43.** সাধাৰণ উষ্ণতাত আইৰণে bcc গঠন দেখুৱায় । 900°C উষ্ণতাৰ উদ্ধত ই fcc গঠনলৈ পৰিবৰ্তিত হয় । সাধাৰণ উষ্ণতাত আইৰণৰ ঘনত্ব আৰু 900°C উষ্ণতাত আইৰণৰ ঘনত্বৰ অনুপাত হ'ল (ধৰাহওঁক যে আইৰণৰ ম'লাৰ ভৰ আৰু পাৰমাণৱিক ব্যাসাৰ্দ্ধ-সকলো উষ্ণতাতে একে থাকে)

(1) $\frac{\sqrt{3}}{\sqrt{2}}$

(2) $\frac{4\sqrt{3}}{3\sqrt{2}}$

(3) $\frac{3\sqrt{3}}{4\sqrt{2}}$

(4) $\frac{1}{2}$

**44.** নিম্নোক্ত পৰমাণু পুঞ্জ কেইটা মন কৰা :

$CN^+$, $CN^-$, NO আৰু CN

এই কেইটাৰ কোণৰ সৰ্ব্বোচ্চ বান্ধনি ক্ৰম আছে ?

(1) NO

(2) $CN^-$

(3) $CN^+$

(4) CN

**45.** কোনটা ***ভুল*** উক্তি হয় ?

(1) 's' অক্ষকত ইলেকট্ৰনৰ মুঠ অক্ষীয় কোণিক ভৰবেগ হ'ল শূন্য ।

(2) এটা অক্ষক তিনিটা কোৱান্টাম সংখ্যাৰ দ্বাৰা চিহ্নিত কৰা হয় আনহাতে এটা পৰমাণুত এটা ইলেক্ট্ৰন চাৰিটা কোৱান্টাম সংখ্যাৰ দ্বাৰা চিহ্নিত কৰা হয় ।

(3) N পৰমাণুৰ ইলেকট্ৰনীয় বিন্যাস হ'ল

| $1s^2$ | $2s^2$ | $2p_x^1$ | $2p_y^1$ | $2p_z^1$ |
|---|---|---|---|---|
| ↑↓ | ↑↓ | ↑ | ↑ | ↓ |

(4) $d_{z^2}$ ৰ কাৰণে m ৰ মান শূন্য ।



SPACE FOR ROUGH WORK

46. Hormones secreted by the placenta to maintain pregnancy are
(1) hCG, hPL, progestogens, prolactin
(2) hCG, hPL, estrogens, relaxin, oxytocin
(3) hCG, hPL, progestogens, estrogens
(4) hCG, progestogens, estrogens, glucocorticoids

47. The contraceptive 'SAHELI'
(1) blocks estrogen receptors in the uterus, preventing eggs from getting implanted.
(2) increases the concentration of estrogen and prevents ovulation in females.
(3) is an IUD.
(4) is a post-coital contraceptive.

48. The difference between spermiogenesis and spermiation is
(1) In spermiogenesis spermatids are formed, while in spermiation spermatozoa are formed.
(2) In spermiogenesis spermatozoa are formed, while in spermiation spermatids are formed.
(3) In spermiogenesis spermatozoa from sertoli cells are released into the cavity of seminiferous tubules, while in spermiation spermatozoa are formed.
(4) In spermiogenesis spermatozoa are formed, while in spermiation spermatozoa are released from sertoli cells into the cavity of seminiferous tubules.

49. The amnion of mammalian embryo is derived from
(1) ectoderm and mesoderm
(2) endoderm and mesoderm
(3) mesoderm and trophoblast
(4) ectoderm and endoderm

46. গৰ্ভধানৰ সুৰক্ষা ৰক্ষাৰ বাবে প্লেচেন্টাৰ পৰা ক্ষৰণ হোৱা হৰম'ন বোৰ হ'ল
(1) hCG, hPL, প্ৰ'জেস্টোজেন, প্ৰ'লেক্টিন
(2) hCG, hPL, ইস্ট্ৰজেন, ৰিলাক্সিন, আক্সিটোসিন
(3) hCG, hPL, প্ৰ'জেস্টোজেন, ইস্ট্ৰজেন
(4) hCG, প্ৰ'জেস্টোজেন, ইস্ট্ৰজেন, গ্লক'কৰ্টিকইড

47. গৰ্ভনিৰোধক 'চহেলি' কি কৰে ?
(1) জৰায়ুত ইষ্ট্ৰজেন সংগ্ৰাহক অণু বন্ধন বন্ধ কৰে, যাৰ ফলত ভ্ৰুন জৰায়ুত স্থাপিত হব নোৱাৰে ।
(2) ই ইষ্ট্ৰজেনৰ গাঢ়তা বঢ়াই মহিলাত ডিম্ব নিসৰণ বন্ধ কৰে ।
(3) এইটো এটা IUD ।
(4) মৈথুনৰ পাচত ব্যৱহাৰ কৰা গৰ্ভনিৰোধক ।

48. স্পৰমিঅ'জেনেচিচ আৰু স্পাৰমিয়েচনৰ মাজৰ পাৰ্থক্য হল
(1) স্পাৰমিঅ'জেনেচিচত স্পাৰমেটিড আৰু স্পাৰমিয়েচনত শুক্ৰাণু গঠন হয় ।
(2) স্পাৰমিঅ'জেনেচিচত শুক্ৰাণু গঠন হয় আৰু স্পাৰমিয়েচনত স্পাৰমেটিড গঠন হয় ।
(3) স্পাৰমিঅ'জেনেচিচত ছাৰট'লি কোষৰ পৰা শুক্ৰাণু চেমিনি ফেৰাচ নলীকা গৰ্তত নিৰ্গত হয়, আনহাতে স্পাৰমিয়েচনত শুক্ৰাণু গঠন হয় ।
(4) স্পাৰমিঅ'জেনেচিচত শুক্ৰাণু গঠন হয় কিন্তু স্পামিয়েচনএ শুক্ৰাণু বোৰ চেমিনিফেৰাচ নলীকাত ওলিয়াই দিয়ে ।

49. স্তন্যপায়ী প্ৰাণীৰ ভ্ৰুনৰ এম্‌নিয়ন আৱৰণ খন গঠন হয়
(1) বহিঃস্তক আৰু মধ্যস্তক
(2) অন্তঃস্তক আৰু মধ্যস্তক
(3) মধ্যস্তক আৰু ট্ৰফ'ব্লাষ্ট
(4) বহিঃস্তক আৰু অন্তঃস্তক


SPACE FOR ROUGH WORK
ZOLLEGE

**50.** In a growing population of a country,

(1) pre-reproductive individuals are more than the reproductive individuals.

(2) reproductive individuals are less than the post-reproductive individuals.

(3) reproductive and pre-reproductive individuals are equal in number.

(4) pre-reproductive individuals are less than the reproductive individuals.

**51.** All of the following are included in 'Ex-situ conservation' *except*

(1) Wildlife safari parks

(2) Sacred groves

(3) Botanical gardens

(4) Seed banks

**52.** Which one of the following population interactions is widely used in medical science for the production of antibiotics ?

(1) Commensalism

(2) Mutualism

(3) Parasitism

(4) Amensalism

**53.** Which part of poppy plant is used to obtain the drug "Smack" ?

(1) Flowers

(2) Latex

(3) Roots

(4) Leaves

**54.** Match the items given in Column I with those in Column II and select the ***correct*** option given below :

| | *Column I* | | *Column II* |
|---|---|---|---|
| a. | Eutrophication | i. | UV-B radiation |
| b. | Sanitary landfill | ii. | Deforestation |
| c. | Snow blindness | iii. | Nutrient enrichment |
| d. | Jhum cultivation | iv. | Waste disposal |

| | **a** | **b** | **c** | **d** |
|---|---|---|---|---|
| (1) | ii | i | iii | iv |
| (2) | i | iii | iv | ii |
| (3) | iii | iv | i | ii |
| (4) | i | ii | iv | iii |

**50.** এখন দেশৰ বৰ্দ্ধিত জনসংখ্যাৰ কাৰণ হ'ল

(1) প্ৰোজনন সক্ষম লোক, জনন সক্ষম লোকতকৈ বেছি ।

(2) জনন সক্ষম লোক, জনন অক্ষম লোকতকৈ কম ।

(3) জনন সক্ষম আৰু প্ৰোজনন সক্ষম লোকৰ পৰিমান সমান হয় ।

(4) প্ৰোজনন সক্ষম লোক, জনন সক্ষম লোকতকৈ কম ।

**51.** তলত দিয়া সমূহৰ এটাৰ 'বাহিৰে আন কেইটাই বহি সংৰক্ষণৰ' অন্তৰ্ভূক্ত

(1) বন্যপ্ৰাণীৰ চাফাৰি পাৰ্ক

(2) চেক্ৰেদ গ্ৰোভ

(3) উদ্ভিদ উদ্যান

(4) বীজৰ বেংক

**52.** চিকিৎসা বিজ্ঞানত এন্টিবায়টিক উৎপাদনৰ বাবে কোন কেইবিধ জীৱৰ মাজত পাৰস্পৰিক ক্ৰিয়া ঘটাবলৈ বিশেষকৈ ব্যৱহাৰ কৰা হয়

(1) সহভোজীতা

(2) সহজীৱিতা

(3) পৰজীৱিতা

(4) অসমজীৱিতা

**53.** "স্মেক" নামৰ ঔষধবিধ আফুগছৰ কোনটো অংশৰ পৰা তৈয়াৰ কৰে

(1) ফুল

(2) লেটেক্স

(3) শিপা

(4) পাত

**54.** তলত দিয়া স্তম্ভ I আৰু স্তম্ভ II ৰ মাজত সম্পৰ্ক স্থাপন কৰি ***শুদ্ধ*** বিকল্প বাছি উলিওৱা :

| | *স্তম্ভ I* | | *স্তম্ভ II* |
|---|---|---|---|
| a. | সাৰুৱা কৰণ | i. | UV-B ৰেডিয়েচন |
| b. | বৰ্জিতৰ দ্বাৰা ঠাই পূৰণ | ii. | নিৰ্বনী কৰণ |
| c. | বৰফ অন্ধতা | iii. | পোৰকৰ বৰ্দ্ধিত কৰণ |
| d. | জুম খেতি | iv. | বৰ্জিতপদাৰ্থৰ নিস্কাষন |

| | **a** | **b** | **c** | **d** |
|---|---|---|---|---|
| (1) | ii | i | iii | iv |
| (2) | i | iii | iv | ii |
| (3) | iii | iv | i | ii |
| (4) | i | ii | iv | iii |



SPACE FOR ROUGH WORK

ZOLLEGE

55. Which of the following gastric cells indirectly help in erythropoiesis ?

(1) Chief cells

(2) Mucous cells

(3) Goblet cells

(4) Parietal cells

56. Match the items given in Column I with those in Column II and select the ***correct*** option given below :

| | *Column I* | | *Column II* |
|---|---|---|---|
| a. | Fibrinogen | i. | Osmotic balance |
| b. | Globulin | ii. | Blood clotting |
| c. | Albumin | iii. | Defence mechanism |

| | **a** | **b** | **c** |
|---|---|---|---|
| (1) | iii | ii | i |
| (2) | i | ii | iii |
| (3) | i | iii | ii |
| (4) | ii | iii | i |

57. Calcium is important in skeletal muscle contraction because it

(1) binds to troponin to remove the masking of active sites on actin for myosin.

(2) activates the myosin ATPase by binding to it.

(3) detaches the myosin head from the actin filament.

(4) prevents the formation of bonds between the myosin cross bridges and the actin filament.

58. Which of the following is an occupational respiratory disorder ?

(1) Anthracis

(2) Silicosis

(3) Botulism

(4) Emphysema

55. জঠৰ কোষৰ কোন বোৰ কোষে অনিৰ্দিষ্ট ভাৱে লোহিত ৰক্ত কণিকাৰ গঠনত সহায় কৰে

(1) চিফ কোষ

(2) মিউকাচ কোষ

(3) গব্লেট কোষ

(4) পেৰাইটেল কোষ

56. তলত দিয়া স্তম্ভ I আৰু স্তম্ভ II ৰ মাজত সম্পৰ্ক স্থাপন কৰি ***শুদ্ধ*** বিকল্প বাছি উলিওৱা :

| | *স্তম্ভ I* | | *স্তম্ভ II* |
|---|---|---|---|
| a. | ফাইব্ৰিন'জেম | i. | অ'চমটিক সাম্যতা |
| b. | গ্লবিওলিন | ii. | ৰক্ত আতঞ্চন |
| c. | এলবুমিন | iii. | প্ৰতিৰক্ষা প্ৰক্ৰিয়া |

| | **a** | **b** | **c** |
|---|---|---|---|
| (1) | iii | ii | i |
| (2) | i | ii | iii |
| (3) | i | iii | ii |
| (4) | ii | iii | i |

57. কংকাল পেশীৰ সংকোচৰ বাবে কেলচিয়াম অতি প্ৰয়োজনীয় কাৰণ

(1) ট্ৰপনিনৰ লগত বন্ধনকৰে আৰু মায়'চিনৰ সক্ৰিয় ।

(2) কেলচিয়ামে মায়'চিন এটিপীএজ (ATPase) সক্ৰিয় কৰে ।

(3) এক্টিন সুত্ৰৰ পৰা মায়'চিনৰ মুণ্ডটো আতৰাইআনে ।

(4) মায়'চিন ক্ৰছব্ৰিছ আৰু এক্টিন সুত্ৰৰ মাজত বন্ধন গঠনত বাধা প্ৰদান কৰে ।

58. তলত দিয়া কোনটো ৰোগ কাৰ্য্যসংক্ৰান্তীয় শ্বসনৰ ৰোগ হিচাবে চিহ্নিত ?

(1) এন্থ্ৰাচিচ

(2) চিলিকোচিচ

(3) ব'টুলিয়াম

(4) এম্ফিচেমা


ZOLLEGE

**59.** Ciliates differ from all other protozoans in

(1) using flagella for locomotion

(2) having a contractile vacuole for removing excess water

(3) using pseudopodia for capturing prey

(4) having two types of nuclei

**60.** Which of the following features is used to identify a male cockroach from a female cockroach ?

(1) Presence of a boat shaped sternum on the $9^{th}$ abdominal segment

(2) Presence of caudal styles

(3) Forewings with darker tegmina

(4) Presence of anal cerci

**61.** Which of the following organisms are known as chief producers in the oceans ?

(1) Dinoflagellates

(2) Diatoms

(3) Cyanobacteria

(4) Euglenoids

**62.** Identify the vertebrate group of animals characterized by crop and gizzard in its digestive system.

(1) Amphibia

(2) Reptilia

(3) Aves

(4) Osteichthyes

**63.** Which of the following animals does ***not*** undergo metamorphosis ?

(1) Earthworm

(2) Tunicate

(3) Moth

(4) Starfish

(4) 1·13 W

**139.** Current sensitivity of a moving coil galvanometer is 5 div/mA and its voltage sensitivity (angular deflection per unit voltage applied) is 20 div/V. The resistance of the galvanometer is

(1) 40 Ω

(2) 25 Ω

(3) 250 Ω

(4) 500 Ω

**136.** প্ৰতি একক দৈৰ্ঘ্যৰ ভৰ $0{\cdot}5\ kg\ m^{-1}$ যুক্ত এডাল ধাতৱ দণ্ড এডাল অনুভূমিক দিশৰ লগত 30° কোন কৰি থকা এখন হেলনীয়া তলত অনুভূমিকভাৱে পৰি আছে । উলম্ব দিলত থকা 0·25 T চৌম্বক ক্ষেত্ৰ এখন প্ৰয়োগ কৰি আৰু দণ্ড ডালৰ মাজেৰে বিদ্যুৎ প্ৰৱাহ চালিত কৰি ইয়াক তললৈ চুচুৰি নোখোৱাকৈ ৰখা হৈছে । ইয়াক স্থিৰ অংস্থাত ৰাখিবলৈ প্ৰয়োজন হোৱা বিদ্যুত প্ৰৱাহৰ মান হ'ব

(1) 7·14 A

(2) 5·98 A

(3) 14·76 A

(4) 11·32 A

**137.** খীন অপচুম্বকীয় দণ্ড এডাল এটা বিদ্যুৎচুম্বকৰ মেৰু দুটাৰ মাজত ৰখা হৈছে । বিদ্যুৎচুম্বকটোত যেতিয়া বিদ্যুৎপ্ৰৱাহ চালিত হ'বলৈ দিয়া হয়, তেতিয়া অপচুম্বকীয় দণ্ড ডালক অনুভূমিক চৌম্বক ক্ষেত্ৰ খনৰ পৰা ওপৰলৈ ঠেলি দিয়ে । ইয়াৰদ্বাৰা দণ্ড ডালে মাধ্যাকৰ্ষণিক বিভৱ শক্তি প্ৰাপ্ত হয় । ইয়াৰ বাবে কৰিব লগা কাৰ্য্য হ'ব

(1) বিদ্যুৎ প্ৰৱাহৰ উৎসৰ পৰা

(2) চৌম্বক ক্ষেত্ৰৰ পৰা

(3) দণ্ড ডালৰ পদাৰ্থৰ স্ফটীকীয় (লেটিচ্) গঠনৰ পৰা

(4) চৌম্বক ক্ষেত্ৰৰ পৰিবৰ্তনৰ বাবে আৱেশিত হোৱা বিদ্যুৎ ক্ষেত্ৰৰ পৰা

**138.** এটা আৱেশক 20 mH, এটা ধাৰক 100 μF আৰু এটা ৰোধক 50 Ω শ্ৰেণীবদ্ধ সজ্জাটোত V = 10 sin 314 t ই.এম.এফ্.ৰ. উৎসৰ লগত সংযোগ কৰা হৈছে । বৰ্তনীটোত হোৱা ক্ষমতাৰ অপচয় হ'ব

(1) 0·79 W

(2) 0·43 W

(3) 2·74 W

(4) 1·13 W

**139.** এটা চলক কুণ্ডলী গেলভেন'মিটাৰ প্ৰৱাহ সংবেদনশীলতা 5 div/mA আৰু ইয়াৰ ভল্টেজ সংবেদনশীলতা (প্ৰয়োগ কৰা প্ৰতি একক ভ'ল্টেজৰ বাবে হোৱা কৌণিক বিক্ষেপণ) হ'ল 20 div/V. গেলভেন'মিটাৰটোৰ প্ৰতিৰোধ হ'ব

(1) 40 Ω

(2) 25 Ω

(3) 250 Ω

(4) 500 Ω


ZOLLEGE

**140.** An object is placed at a distance of 40 cm from a concave mirror of focal length 15 cm. If the object is displaced through a distance of 20 cm towards the mirror, the displacement of the image will be

(1) 30 cm away from the mirror

(2) 36 cm away from the mirror

(3) 30 cm towards the mirror

(4) 36 cm towards the mirror

**141.** An em wave is propagating in a medium with a velocity $\vec{V} = V\hat{i}$. The instantaneous oscillating electric field of this em wave is along +y axis. Then the direction of oscillating magnetic field of the em wave will be along

(1) – z direction

(2) + z direction

(3) – y direction

(4) – x direction

**142.** The refractive index of the material of a prism is $\sqrt{2}$ and the angle of the prism is 30°. One of the two refracting surfaces of the prism is made a mirror inwards, by silver coating. A beam of monochromatic light entering the prism from the other face will retrace its path (after reflection from the silvered surface) if its angle of incidence on the prism is

(1) 60°

(2) 45°

(3) 30°

(4) zero

**143.** The magnetic potential energy stored in a certain inductor is 25 mJ, when the current in the inductor is 60 mA. This inductor is of inductance

(1) 0·138 H

(2) 138·88 H

(3) 1·389 H

(4) 13·89 H

**140.** 15 cm ফ'কাছ দৈর্ঘ্যৰ অৱতল দাপোন এখনৰ পৰা 40 cm দূৰত্বত এটা লক্ষ্যবস্তু ৰখা হৈছে । যদি লক্ষ্যবস্তুটো 20 cm সৰণ কৰি দাপোন খনৰ পিনে অনা হয়, তেতিয়া প্ৰতিবিম্বৰ সৰণ এনেদৰে হ'ব

(1) 30 cm দাপোনৰ পৰা আংতৰি যাব

(2) 36 cm দাপোনৰ পৰা আঁতৰি যাব

(3) 30 cm দাপোনৰ ফালে আহিব

(4) 36 cm দাপোনৰ ফালে আহিব

**141.** এটা বিদ্যুৎ চুম্বকীয় তৰংগ $\vec{V} = V\hat{i}$ বেগেৰে এখন মাধ্যমৰ মাজেদি প্ৰৱাহিত হৈছে বিদ্যুৎ চুম্বকীয় তৰংগটোৰ তাৎক্ষণিক দুলি থকা বিদ্যুৎক্ষেত্ৰ খনৰ দিশ + y অক্ষ । তেতিয়া বিদ্যুৎচুম্বকীয় তৰংগটোৰ দুলি থকা চৌম্বক ক্ষেত্ৰখনৰ দিশ হ'ব

(1) – z দিশত

(2) + z দিশত

(3) – y দিশত

(4) – x দিশত

**142.** প্ৰিজম এটাৰ পদাৰ্থৰ প্ৰতিসৰাংক $\sqrt{2}$ আৰু প্ৰিজম কোণ 30° । প্ৰতিসৰী পৃষ্ঠ দুখনৰ এখনত ভিতৰ ফালেৰে ৰূপৰ প্ৰলেপ প্ৰয়োগ কৰি দাপোনৰ তৈয়াৰ কৰা হ'ল । এতিয়া একৰঙী পোহৰ ৰশ্মিসমষ্টি (beam) এটাই আনখন প্ৰতিসৰী পৃষ্ঠৰে প্ৰিজমটো প্ৰৱেশ কৰি ৰূপৰ প্ৰলেপ পৃষ্ঠৰ পৰা প্ৰতিফলিত হৈ আকৌ একে পথেৰে ঘূৰি আহিবলৈ হ'লে পোহৰৰ ৰশ্মিটোৰ প্ৰিজমত আপতন কোণ হ'ব

(1) 60°

(2) 45°

(3) 30°

(4) শুন্য

**143.** এটা আৱেশকৰ মাজেদি 60 mA বিদ্যুত প্ৰৱাহ চালিত হোৱাত আবেশকটোত জমা হোৱা চৌম্বিক শক্তিৰ পৰিমাণ 25 mJ । আৱেশকটোৰ আৱেশৰ মান হ'ব

(1) 0·138 H

(2) 138·88 H

(3) 1·389 H

(4) 13·89 H



SPACE FOR ROUGH WORK

ZOLLEGE

**144.** In the circuit shown in the figure, the input voltage $V_i$ is 20 V, $V_{BE} = 0$ and $V_{CE} = 0$. The values of $I_B$, $I_C$ and $\beta$ are given by




(1) $I_B = 40\ \mu A$, $I_C = 10\ mA$, $\beta = 250$

(2) $I_B = 25\ \mu A$, $I_C = 5\ mA$, $\beta = 200$

(3) $I_B = 20\ \mu A$, $I_C = 5\ mA$, $\beta = 250$

(4) $I_B = 40\ \mu A$, $I_C = 5\ mA$, $\beta = 125$

**145.** In a p-n junction diode, change in temperature due to heating

(1) affects only reverse resistance

(2) affects only forward resistance

(3) does not affect resistance of p-n junction

(4) affects the overall V – I characteristics of p-n junction

**146.** In the combination of the following gates the output Y can be written in terms of inputs A and B as




(1) $\overline{A \cdot B}$

(2) $A \cdot \overline{B} + \overline{A} \cdot B$

(3) $\overline{A \cdot B} + A \cdot B$

(4) $\overline{A + B}$

**144.** চিত্ৰত দেখুওৱা বৰ্তনীত ইন্‌পুট্ ভ'ল্টেজ ($V_i$) 20 V, $V_{BE} = 0$ আৰু $V_{CE} = 0$ । $I_B$, $I_C$ আৰু $\beta$ ৰ মান হ'ব




(1) $I_B = 40\ \mu A$, $I_C = 10\ mA$, $\beta = 250$

(2) $I_B = 25\ \mu A$, $I_C = 5\ mA$, $\beta = 200$

(3) $I_B = 20\ \mu A$, $I_C = 5\ mA$, $\beta = 250$

(4) $I_B = 40\ \mu A$, $I_C = 5\ mA$, $\beta = 125$

**145.** এটা p-n জাংচন ডায়'ডত তাপৰ বাবে হোৱা উষ্ণতাৰ পৰিবৰ্তনে

(1) অকল পশ্চাদমুখী ৰোধ (reverse resistance) প্ৰভাৱিত কৰে ।

(2) অকল অগ্ৰৱৰ্তী ৰোধত (forward resistance) প্ৰভাৱিত কৰে ।

(3) p-n ডাংচনৰ ৰোধ প্ৰভাৱিত নকৰে ।

(4) p-n জাংচনটোৰ V – I বৈশিষ্ট্যৰ প্ৰভাৱিত কৰে ।

**146.** তলত দিয়া ল'জিক গেটসমূহৰ সজ্জাটোত ইন্‌পুট্ A আৰু B ৰ সম্পৰ্কত আউট্‌পুট্ Y হ'ব




(1) $\overline{A \cdot B}$

(2) $A \cdot \overline{B} + \overline{A} \cdot B$

(3) $\overline{A \cdot B} + A \cdot B$

(4) $\overline{A + B}$



SPACE FOR ROUGH WORK

ZOLLEGE

**147.** Unpolarised light is incident from air on a plane surface of a material of refractive index ‘μ’. At a particular angle of incidence ‘i’, it is found that the reflected and refracted rays are perpendicular to each other. Which of the following options is correct for this situation ?

(1) Reflected light is polarised with its electric vector parallel to the plane of incidence

(2) Reflected light is polarised with its electric vector perpendicular to the plane of incidence

(3) $i = \sin^{-1}\left(\frac{1}{\mu}\right)$

(4) $i = \tan^{-1}\left(\frac{1}{\mu}\right)$

**148.** In Young’s double slit experiment the separation d between the slits is 2 mm, the wavelength λ of the light used is 5896 Å and distance D between the screen and slits is 100 cm. It is found that the angular width of the fringes is 0·20°. To increase the fringe angular width to 0·21° (with same λ and D) the separation between the slits needs to be changed to

(1) 1·8 mm

(2) 1·9 mm

(3) 2·1 mm

(4) 1·7 mm

**149.** An astronomical refracting telescope will have large angular magnification and high angular resolution, when it has an objective lens of

(1) small focal length and large diameter

(2) large focal length and small diameter

(3) large focal length and large diameter

(4) small focal length and small diameter

**147.** ‘μ’ প্ৰতিসৰনাংকৰ পদাৰ্থ এটাৰ সমতল পৃষ্ঠত বায়ুৰ পৰা অসমবৰ্ত্তিত (unpolarised) পোহৰ আপতিত হৈছে । এটা নিৰ্দ্দিষ্ট আপতন কোণ ‘i’ ৰ বাবে প্ৰতিফলিত আৰু প্ৰতিসৰিত ৰশ্মি পৰস্পৰে পৰস্পৰৰ লম্ব হয় । এই ক্ষেত্ৰত তলৰ কোনটো বিকল্প উত্তৰ শুদ্ধ হ’ব ?

(1) প্ৰতিফলিত পোহৰ সমবৰ্ত্তিত (polarised) হ’ব এনেদৰে যাতে ইয়াৰ বৈদ্যুতিক ভেক্টৰ আপতন তলৰ সমান্তৰাল হয়

(2) প্ৰতিফলিত পোহৰ সমবৰ্ত্তিত (polarised) হ’ব এনেদৰে যাতে ইয়াৰ বৈদ্যুতিক ভেক্টৰ আপতন তলৰ লম্ব হয়

(3) $i = \sin^{-1}\left(\frac{1}{\mu}\right)$

(4) $i = \tan^{-1}\left(\frac{1}{\mu}\right)$

**148.** এটা ইয়ঙৰ দ্বিছিদ্ৰ পৰীক্ষাৰ আহিলাত ছিদ্ৰ দুটাৰ ব্যৱধান d, 2 mm ব্যৱহাৰ কৰা পোহৰৰ তৰংগ λ = 5896 Å আৰু পৰ্দা আৰু ছিদ্ৰৰ মাজৰ দূৰত্ব D, 100 cm । পটিৰ কৌণিক বেধ (angular width) হ’ল 0·20° । পটিৰ কৌণিক বেধ 0·21° লৈ বঢ়াবলৈ (λ আৰু D একে ৰাখি) ছিদ্ৰ দুটাৰ মাজৰ দূৰত্ব কিমানলৈ সলনি কৰাৰ প্ৰয়োজন হ’ব

(1) 1·8 mm

(2) 1·9 mm

(3) 2·1 mm

(4) 1·7 mm

**149.** এটা প্ৰতিসাৰক নভোবীক্ষণ দূৰবীণৰ কৌণিক বিবৰ্ধন আৰু কৌণিক বিভেদন ক্ষমতা বেছি হ’ব, যেতিয়া অভিনেত্ৰ লেন্স খনৰ

(1) ফ’কাছ দৈৰ্ঘ্য কম আৰু ব্যাস বেছি হয়

(2) ফ’কাছ দৈৰ্ঘ্য বেছি আৰু ব্যাস কম হয়

(3) ফ’কাছ দৈৰ্ঘ্য বেছি আৰু ব্যাস বেছি হয়

(4) ফ’কাছ দৈৰ্ঘ্য কম আৰু ব্যাস কম হয়


ZOLLEGE

**150.** The ratio of kinetic energy to the total energy of an electron in a Bohr orbit of the hydrogen atom, is

(1) 1 : 1

(2) 1 : – 1

(3) 2 : – 1

(4) 1 : – 2

**151.** An electron of mass m with an initial velocity $\vec{V} = V_0 \hat{i}$ $(V_0 > 0)$ enters an electric field $\vec{E} = -E_0 \hat{i}$ ($E_0$ = constant > 0) at t = 0. If $\lambda_0$ is its de-Broglie wavelength initially, then its de-Broglie wavelength at time t is

(1) $\dfrac{\lambda_0}{\left(1 + \dfrac{eE_0}{mV_0} t\right)}$

(2) $\lambda_0 \left(1 + \dfrac{eE_0}{mV_0} t\right)$

(3) $\lambda_0 t$

(4) $\lambda_0$

**152.** For a radioactive material, half-life is 10 minutes. If initially there are 600 number of nuclei, the time taken (in minutes) for the disintegration of 450 nuclei is

(1) 20

(2) 10

(3) 30

(4) 15

**153.** When the light of frequency $2v_0$ (where $v_0$ is threshold frequency), is incident on a metal plate, the maximum velocity of electrons emitted is $v_1$. When the frequency of the incident radiation is increased to $5v_0$, the maximum velocity of electrons emitted from the same plate is $v_2$. The ratio of $v_1$ to $v_2$ is

(1) 1 : 2

(2) 1 : 4

(3) 4 : 1

(4) 2 : 1

**150.** এটা হাইড্ৰ'জেন পৰমাণুৰ এটা ব'ৰ কক্ষপথত ইলেক্ট্ৰন এটাৰ গতিশক্তি আৰু মুঠ শক্তিৰ অনুপাত হ'ল

(1) 1 : 1

(2) 1 : – 1

(3) 2 : – 1

(4) 1 : – 2

**151.** m ভৰৰ ইলেক্ট্ৰন এঠাই $\vec{V} = V_0 \hat{i}$ $(V_0 > 0)$ প্ৰাৰম্ভিক বেগেৰে t = 0 সময়ত $\vec{E} = -E_0 \hat{i}$ ($E_0$ = ধ্ৰুৱক > 0) বৈদ্যুতিক ক্ষেত্ৰ এখনত প্ৰৱেশ কৰে । যদি $\lambda_0$ ইয়াৰ প্ৰাৰম্ভিক ডাব্ৰ'গ্লী তৰংগদৈৰ্ঘ্য হয় তেতিয়া t সময়ত ইয়াৰ ডাব্ৰ'গ্লী তৰংগদৈৰ্ঘ্য হ'ব

(1) $\dfrac{\lambda_0}{\left(1 + \dfrac{eE_0}{mV_0} t\right)}$

(2) $\lambda_0 \left(1 + \dfrac{eE_0}{mV_0} t\right)$

(3) $\lambda_0 t$

(4) $\lambda_0$

**152.** এটা তেজস্ক্ৰিয় পদাৰ্থৰ অৰ্ধায়ু কাল 10 মিনট । প্ৰাৰম্ভিক অৱস্থাত 600 সংখ্যক নিউক্লিয়াচ থকাৰ পৰা 450 সংখ্য নিউক্লিয়াছৰ বিভঙ্গন হ'বলৈ প্ৰয়োজন হোৱা সময় (মিনিট এককত)

(1) 20

(2) 10

(3) 30

(4) 15

**153.** এখন ধাতুৰ পাতত যেতিয়া হয় কম্পনাংকৰ $2v_0$ পোহৰ (য'ত $v_0$ ধাতুটোৰ আলোক প্ৰক্ৰিয়াৰ নুন্যতম কম্পনাংক) পৰে, নিৰ্গত হোৱা ইলেক্ট্ৰণৰ সৰ্ব্বোচ্চ বেগ $v_1$ হয় । যদি আপতিত পোহৰৰ কম্পনাংক $5v_0$ লৈ বৃদ্ধি কৰা হয়, তেতিয়া একেখন ধাতুৰ পৰা নিৰ্গত হোৱা ইলেক্ট্ৰনৰ সৰ্ব্বোচ্চ বেগ $v_2$ হয় । $v_1$ আৰু $v_2$ মাজৰ অনুপাত হ'ল

(1) 1 : 2

(2) 1 : 4

(3) 4 : 1

(4) 2 : 1



SPACE FOR ROUGH WORK

**154.** A tuning fork is used to produce resonance in a glass tube. The length of the air column in this tube can be adjusted by a variable piston. At room temperature of 27°C two successive resonances are produced at 20 cm and 73 cm of column length. If the frequency of the tuning fork is 320 Hz, the velocity of sound in air at 27°C is

(1) 330 m/s

(2) 339 m/s

(3) 350 m/s

(4) 300 m/s

**155.** The electrostatic force between the metal plates of an isolated parallel plate capacitor C having a charge Q and area A, is

(1) independent of the distance between the plates.

(2) linearly proportional to the distance between the plates.

(3) proportional to the square root of the distance between the plates.

(4) inversely proportional to the distance between the plates.

**156.** An electron falls from rest through a vertical distance h in a uniform and vertically upward directed electric field E. The direction of electric field is now reversed, keeping its magnitude the same. A proton is allowed to fall from rest in it through the same vertical distance h. The time of fall of the electron, in comparison to the time of fall of the proton is

(1) smaller

(2) 5 times greater

(3) 10 times greater

(4) equal

**157.** A pendulum is hung from the roof of a sufficiently high building and is moving freely to and fro like a simple harmonic oscillator. The acceleration of the bob of the pendulum is 20 $m/s^2$ at a distance of 5 m from the mean position. The time period of oscillation is

(1) $2\pi$ s

(2) $\pi$ s

(3) 2 s

(4) 1 s

**154.** এটা কাঁচৰ নলীত অনুনাদ সৃষ্টি কৰিবলৈ এডাল সুৰ শলাকা ব্যৱহাৰ কৰা হৈছে । এটা উঠা-নমা কৰিব পৰা পিষ্টনেৰে নলীটোত বায়ুৰ স্তম্ভৰ দীঘ সলনি কৰিব পাৰি । কোঠাৰ উষ্ণতাত 27°C ত নলীটোত 20 cm আৰু 73 cm বায়ু স্তম্ভ দৈৰ্ঘ্যত দুটা ক্ৰমিক অনুনাদৰ সৃষ্টি হ'ল । যদি বায়ুত সুৰ শলাকা ডালৰ কম্পনাংক 320 Hz হয়, তেতিয়া 27°C উষ্ণতাৰ শব্দৰ বেগ হ'ব

(1) 330 m/s

(2) 339 m/s

(3) 350 m/s

(4) 300 m/s

**155.** এটা বিযুক্ত (isolated) সমান্তৰাল ধাৰক C ৰ আধান Q আৰু প্লেট কালি A হ'লে প্লেট দুখনৰ মাজত ক্ৰিয়া কৰা স্থিতিবিদ্যুৎ বল

(1) প্লেটৰ মাজৰ দূৰত্বৰ ওপৰত নিৰ্ভৰ নকৰে ।

(2) প্লেট দুখনৰ দূৰত্বৰ লগত ৰেখিকভাৱে সমানুপাতিক ।

(3) প্লেটৰ দূৰত্বৰ বৰ্গমূলৰ সমানুপাতিক ।

(4) প্লেটৰ দূৰত্বৰ লগত ব্যস্তানুপাতিক ।

**156.** এখন সুষম আৰু ওগৰমুৰাকৈ দিশ কৰা বৈদ্যুতিক ক্ষেত্ৰ E ৰ মাজেদি এটা ইলেক্ট্ৰনে স্থিৰ অৱস্থাৰ পৰা h দূৰত্ব উলম্বভাৱে সৰি পৰিছে । বৈদ্যুতিক ক্ষেত্ৰ খনৰ মান একে ৰাখি দিশ বিপৰীত কৰা হ'ল । এতিয়া এটা প্ৰ'টন এই ক্ষেত্ৰখনৰ মাজেদি একে উলম্ব দূৰত্ব h অতিক্ৰম কৰিবলৈ স্থিৰ অৱস্থাৰ পৰা সৰি পৰিবলৈ দিয়া হ'ল । প্ৰ'টনটো সৰি পৰা সময়ৰ তুলনাত ইলেক্ট্ৰনটোৰ সৰি পৰা সময়

(1) কম

(2) 5 গুণ বেছি

(3) 10 গুণ বেছি

(4) সমান

**157.** যথেষ্ঠ ওখ বিল্ডিং এটাৰ চালৰ পৰা এটা দোলক ওলোমাই ৰখা হৈছে আৰু সৰল দোলকৰ দৰে মুক্তভাৱে অহা-যোৱা কৰি আছে । সাম্যাৱস্থাৰ পৰা 5 m দূৰত্বত দোলকটোৰ ব'বৰ ত্বৰণ 20 $m/s^2$. ইয়াৰ পৰ্য্যায়কাল হ'ব

(1) $2\pi$ s

(2) $\pi$ s

(3) 2 s

(4) 1 s

**158.** The power radiated by a black body is P and it radiates maximum energy at wavelength, $\lambda_0$. If the temperature of the black body is now changed so that it radiates maximum energy at wavelength $\frac{3}{4}\lambda_0$, the power radiated by it becomes nP. The value of n is

(1) $\frac{3}{4}$

(2) $\frac{4}{3}$

(3) $\frac{256}{81}$

(4) $\frac{81}{256}$

**159.** Two wires are made of the same material and have the same volume. The first wire has cross-sectional area A and the second wire has cross-sectional area 3A. If the length of the first wire is increased by $\Delta l$ on applying a force F, how much force is needed to stretch the second wire by the same amount ?

(1) 9 F

(2) 6 F

(3) 4 F

(4) F

**160.** A small sphere of radius 'r' falls from rest in a viscous liquid. As a result, heat is produced due to viscous force. The rate of production of heat when the sphere attains its terminal velocity, is proportional to

(1) $r^3$

(2) $r^2$

(3) $r^5$

(4) $r^4$

**161.** A sample of 0·1 g of water at 100°C and normal pressure ($1{\cdot}013 \times 10^5$ $Nm^{-2}$) requires 54 cal of heat energy to convert to steam at 100°C. If the volume of the steam produced is 167·1 cc, the change in internal energy of the sample, is

(1) 104·3 J

(2) 208·7 J

(3) 42·2 J

(4) 84·5 J

**158.** এটা কৃষ্ণ বস্তুৰে বিকিৰণ কৰা ক্ষমতা হ'ল P আৰু $\lambda_0$ তৰংগ দৈৰ্ঘ্যত সৰ্ব্বোচ্চ শক্তি বিকৰণ কৰে । এতিয়া কৃষ্ণবস্তুটোৰ উষ্ণতা এনেদৰে পৰিবৰ্তন কৰা হ'ল যাতে $\frac{3}{4}\lambda_0$ তৰংগদৈৰ্ঘ্যত সৰ্ব্বোচ্চ শক্তি বিকিৰিত হয় আৰু শক্তিৰ ক্ষমতা nP হয়গৈ । n ৰ মান হ'ব

(1) $\frac{3}{4}$

(2) $\frac{4}{3}$

(3) $\frac{256}{81}$

(4) $\frac{81}{256}$

**159.** দুডাল তাঁৰ একে পদাৰ্থৰে তৈয়াৰী আৰু একে আয়তনৰ । প্ৰথম তাঁৰ ডালৰ প্ৰস্থচ্ছেদ কালি A আৰু দ্বিতীয়ডালৰ প্ৰস্থচ্ছেদ কালি 3A । যদি F বল প্ৰয়োগ কৰি প্ৰথম তাঁৰ ডালৰ দৈৰ্ঘ্য $\Delta l$ বৃদ্ধি কৰা হয়, তেতিয়া দ্বিতীয় তাঁৰ ডালৰ দৈৰ্ঘ্য সমান পৰিমানত বৃদ্ধি কৰিবলৈ কিমান বলৰ প্ৰয়োজন হ'ব ?

(1) 9 F

(2) 6 F

(3) 4 F

(4) F

**160.** এটা 'r' ব্যাসাৰ্দ্ধৰ সৰু গোলক স্থিৰ অৱস্থাৰ পৰা এটা সান্দ্ৰ তৰলৰ মাজেৰে পৰি আছে । ফলস্বৰূপে সান্দ্ৰ বলৰ বাবে তাপ উৎপন্ন হৈছে । গোলকটোৱে প্ৰান্তীয় বেগ পোৱাত তাপ উৎপন্নৰ হাৰ তলৰ কোণটোৰ লগত সামানুপাতিক হ'ব

(1) $r^3$

(2) $r^2$

(3) $r^5$

(4) $r^4$

**161.** সাধাৰণ চাপ ($1{\cdot}013 \times 10^5$ $Nm^{-2}$) আৰু 100°C উষ্ণতাত থকা 0·1 g পানীৰ নমুনা এটাক 100°C উষ্ণতাত বাষ্পলৈ ৰূপান্তৰিত কৰিবলৈ 54 কেলৰি তাপৰ প্ৰয়োজন । যদি বাষ্পৰ আয়তন 167·1 cc হয়, নমুনাটোৰ আন্তঃশক্তিৰ পৰিবৰ্তন হ'ব

(1) 104·3 J

(2) 208·7 J

(3) 42·2 J

(4) 84·5 J


ZOLLEGE

**162.** A toy car with charge q moves on a frictionless horizontal plane surface under the influence of a uniform electric field $\vec{E}$. Due to the force $q\vec{E}$, its velocity increases from 0 to 6 m/s in one second duration. At that instant the direction of the field is reversed. The car continues to move for two more seconds under the influence of this field. The average velocity and the average speed of the toy car between 0 to 3 seconds are respectively

(1) 2 m/s, 4 m/s
(2) 1 m/s, 3 m/s
(3) 1 m/s, 3·5 m/s
(4) 1·5 m/s, 3 m/s

**163.** A block of mass m is placed on a smooth inclined wedge ABC of inclination θ as shown in the figure. The wedge is given an acceleration 'a' towards the right. The relation between a and θ for the block to remain stationary on the wedge is




(1) $a = \frac{g}{\text{cosec}\,\theta}$
(2) $a = \frac{g}{\sin\theta}$
(3) $a = g\cos\theta$
(4) $a = g\tan\theta$

**164.** The moment of the force, $\vec{F} = 4\hat{i} + 5\hat{j} - 6\hat{k}$ at (2, 0, – 3), about the point (2, – 2, – 2), is given by

(1) $-8\hat{i} - 4\hat{j} - 7\hat{k}$
(2) $-4\hat{i} - \hat{j} - 8\hat{k}$
(3) $-7\hat{i} - 8\hat{j} - 4\hat{k}$
(4) $-7\hat{i} - 4\hat{j} - 8\hat{k}$

**165.** A student measured the diameter of a small steel ball using a screw gauge of least count 0·001 cm. The main scale reading is 5 mm and zero of circular scale division coincides with 25 divisions above the reference level. If screw gauge has a zero error of – 0·004 cm, the correct diameter of the ball is

(1) 0·521 cm
(2) 0·525 cm
(3) 0·053 cm
(4) 0·529 cm

**162.** q আধান থকা এখন পুতলা গাড়ী এখন সুষম বৈদ্যুতিক ক্ষেত্ৰ $\vec{E}$ ৰ প্ৰভাৱত এখন ঘৰ্ষণবিহীন অনুভূমিক সমতল পৃষ্ঠত গতি কৰি আছে । $q\vec{E}$ বলৰ বাবে ইয়াৰ বেগ এক ছেকেণ্ডত 0 ৰ পৰা 6 m/s বৃদ্ধি হয় । সেই অৱস্থাত বৈদ্যুতিক ক্ষেত্ৰ খনৰ দিশ ওলোটা কৰা হ'ল । এই বিদ্যুৎ ক্ষেত্ৰ খনৰ প্ৰভাৱতে গাড়ীখন আৰু দুই ছেকেণ্ডৰ বাবে গতি চলি থাকিল । পুতলা গাড়ীখনে 0 আৰু 3 ছেকেণ্ডৰ মাজৰ ব্যৱধানত প্ৰাপ্ত গড় বেগ আৰু গড় দ্ৰুতি হ'ব

(1) 2 m/s, 4 m/s
(2) 1 m/s, 3 m/s
(3) 1 m/s, 3·5 m/s
(4) 1·5 m/s, 3 m/s

**163.** চিত্ৰতদেখুওৱাৰ দৰে m ভৰৰ টুকুৰা ABC এটা θ কোণ কৰি থকা মিহি হেলনীয়া তল এখনত ৰখা হৈছে । এতিয়া টুকুৰাটো পৰি নোযোৱাকৈ হেলনীয়া তলখনক 'a' ত্বৰণ সোঁফালে দিয়া হ'ল । a আৰু θ মাজৰ সম্পৰ্ক হ'ব




(1) $a = \frac{g}{\text{cosec}\,\theta}$
(2) $a = \frac{g}{\sin\theta}$
(3) $a = g\cos\theta$
(4) $a = g\tan\theta$

**164.** (2, 0, – 3) বিন্দুত থকা $\vec{F} = 4\hat{i} + 5\hat{j} - 6\hat{k}$ বলৰ (2, – 2, – 2) বিন্দু সাপেক্ষে ভ্ৰামক হ'ব

(1) $-8\hat{i} - 4\hat{j} - 7\hat{k}$
(2) $-4\hat{i} - \hat{j} - 8\hat{k}$
(3) $-7\hat{i} - 8\hat{j} - 4\hat{k}$
(4) $-7\hat{i} - 4\hat{j} - 8\hat{k}$

**165.** 0·001 cm ৰ লঘিষ্ঠ গণনা (LC) ৰ স্ক্ৰু গেজ (screw gauge) এটাৰে এজন ছাত্ৰই এটা সৰু তীখাৰ বলৰ ব্যাস জুখিছে । মুখ্য স্কেলৰ পাঠ হ'ল 5 mm আৰু বৃত্তাকাৰ স্কেলৰ শূন্য ধৰটো ৰেফাৰেন্স লেভেল (reference level) পৰা 25 ঘৰ ওপৰত আছে । যদি স্ক্ৰু গেজটোৰ শূন্য ক্ৰমি ক্ৰুটিৰ মান – 0·004 cm হ'লে বলটোৰ শুদ্ধ ব্যাস হ'ব

(1) 0·521 cm
(2) 0·525 cm
(3) 0·053 cm
(4) 0·529 cm


SPACE FOR ROUGH WORK

**166.** A moving block having mass m, collides with another stationary block having mass 4m. The lighter block comes to rest after collision. When the initial velocity of the lighter block is v, then the value of coefficient of restitution (e) will be

(1) 0·5

(2) 0·25

(3) 0·8

(4) 0·4

**167.** A body initially at rest and sliding along a frictionless track from a height h (as shown in the figure) just completes a vertical circle of diameter AB = D. The height h is equal to




(1) $\frac{3}{2}D$

(2) D

(3) $\frac{7}{5}D$

(4) $\frac{5}{4}D$

**168.** Three objects, A : (a solid sphere), B : (a thin circular disk) and C : (a circular ring), each have the same mass M and radius R. They all spin with the same angular speed ω about their own symmetry axes. The amounts of work (W) required to bring them to rest, would satisfy the relation

(1) $W_C > W_B > W_A$

(2) $W_A > W_B > W_C$

(3) $W_B > W_A > W_C$

(4) $W_A > W_C > W_B$

**169.** Which one of the following statements is ***incorrect*** ?

(1) Rolling friction is smaller than sliding friction.

(2) Limiting value of static friction is directly proportional to normal reaction.

(3) Frictional force opposes the relative motion.

(4) Coefficient of sliding friction has dimensions of length.

**166.** m ভৰৰ গতিশীল বস্তু এটাই 4m ভৰৰ আন এটা স্থিৰ বস্তুৰ লগত সংঘাত হয় । কম ভৰৰ বস্তুটো সংঘাতৰ পিছত স্থিৰ অৱস্থালৈ আহে । যেতিয়া কম ভৰৰ বস্তুটোৰ প্ৰাৰম্ভিক বেগ v হয়, তেতিয়া সংঘাতৰ প্ৰত্যাৱৰ্তন গুণাংক (coefficient of restitution) (e) হ'ব

(1) 0·5

(2) 0·25

(3) 0·8

(4) 0·4

**167.** চিত্ৰত দেখুওৱাৰ দৰে উচ্চতা h এটা বস্তুৱে প্ৰথমে স্থিৰ অৱস্থাৰ পৰা ঘৰ্ষণবিহীন পথ এটাৰে চুচুৰি আহি এটা AB = D ব্যাসৰ উলম্ব বৃত্ত কোনোমতে সমপূৰ্ণ কৰে । তেন্তে উচ্চতা h হ'ব




(1) $\frac{3}{2}D$

(2) D

(3) $\frac{7}{5}D$

(4) $\frac{5}{4}D$

**168.** তিনিটা বস্তু, A : (এটা গোটা গোলক), B : (এখন খীন কাঁহী) আৰু C : (এটা বৃত্তাকাৰ ৰিং) । প্ৰত্যেকৰে ভৰ M আৰু ব্যাসাৰ্দ্ধ R সিহঁতে নিজৰ সমমিতি অক্ষৰ (symmetry axes) সাপেক্ষে ω কৌণিক বেগত ঘূৰিছে । সিহঁতক স্থিৰ অৱস্থালৈ আনিবলৈ কৰিব লগা কাৰ্য্য (W) সমূহৰ পৰিমাণৰ সম্পৰ্ক হ'ব

(1) $W_C > W_B > W_A$

(2) $W_A > W_B > W_C$

(3) $W_B > W_A > W_C$

(4) $W_A > W_C > W_B$

**169.** তলৰ কোনটো উক্তি ***অশুদ্ধ*** ?

(1) গতি ঘৰ্ষণতকৈ ঘূৰ্ণণ ঘৰ্ষণ কম ।

(2) স্থিতি ঘৰ্ষণৰ সীমা মান (limiting value) লম্ব প্ৰতিক্ৰিয়াৰ সামানুপাতিক ।

(3) ঘৰ্ষণে বলে আপেক্ষিক গতিক বাধা দিয়ে ।

(4) গতি ঘৰ্ষণৰ গুণাংকৰ মাত্ৰা দৈৰ্ঘ্যৰ মাত্ৰাৰ লগত একে ।

 SPACE FOR ROUGH WORK

**170.** A solid sphere is rotating freely about its symmetry axis in free space. The radius of the sphere is increased keeping its mass same. Which of the following physical quantities would remain constant for the sphere ?

(1) Angular velocity

(2) Moment of inertia

(3) Rotational kinetic energy

(4) Angular momentum

**171.** The kinetic energies of a planet in an elliptical orbit about the Sun, at positions A, B and C are $K_A$, $K_B$ and $K_C$, respectively. AC is the major axis and SB is perpendicular to AC at the position of the Sun S as shown in the figure. Then




(1) $K_A < K_B < K_C$

(2) $K_A > K_B > K_C$

(3) $K_B < K_A < K_C$

(4) $K_B > K_A > K_C$

**172.** A solid sphere is in rolling motion. In rolling motion a body possesses translational kinetic energy ($K_t$) as well as rotational kinetic energy ($K_r$) simultaneously. The ratio $K_t : (K_t + K_r)$ for the sphere is

(1) 7 : 10

(2) 5 : 7

(3) 10 : 7

(4) 2 : 5

**173.** If the mass of the Sun were ten times smaller and the universal gravitational constant were ten times larger in magnitude, which of the following is ***not*** correct ?

(1) Raindrops will fall faster.

(2) Walking on the ground would become more difficult.

(3) Time period of a simple pendulum on the Earth would decrease.

(4) 'g' on the Earth will not change.

**170.** এটা গোটা গোলকে নিজৰ সমমিতি অক্ষৰ সাপেক্ষে মুক্ত স্থানত মুক্তভাৱে ঘূৰি আছে । ভৰ একে ৰাখি গোলকটোৰ ব্যাসাৰ্দ্ধ বঢ়োৱা হৈছে । তলৰ কোনটো ভৌতিক ৰাশি গোলকটোৰ বাবে একে থাকিব ?

(1) কৌণিক বেগ

(2) জড় ভ্ৰামক

(3) ঘূৰ্ণন গতি শক্তি

(4) কৌণিক ভৰবেগ

**171.** সূৰ্য্যৰ সাপেক্ষে উপবৃত্তাকাৰ কক্ষপথত ঘূৰি থকা গ্ৰহ এটাৰ A, B আৰু C অৱস্থানত গতি শক্তি ক্ৰমে $K_A$, $K_B$ আৰু $K_C$ । চিত্ৰত দেখুওৱাৰ দৰে AC মুখ্য অক্ষ আৰু SB, AC ৰ ওপৰত সূৰ্য্যৰ স্থান S ত লম্ব । তেতিয়া হ'লে তলৰ কোনটো শুদ্ধ হ'ব




(1) $K_A < K_B < K_C$

(2) $K_A > K_B > K_C$

(3) $K_B < K_A < K_C$

(4) $K_B > K_A > K_C$

**172.** এটা গোটা গোলকে ঘূৰ্ণী ঘূৰ্ণন গতি কৰি আছে । ঘূৰ্ণী-ঘূৰ্ণন গতিত এটা বস্তুৱে ৰৈখিক গতি শক্তি ($K_t$) আৰু ঘূৰ্ণন গতি শক্তি ($K_r$) একে সময়তে পায় । গোলকটোৰ বাবে $K_t : (K_t + K_r)$ হ'ব

(1) 7 : 10

(2) 5 : 7

(3) 10 : 7

(4) 2 : 5

**173.** যদি সূৰ্য্যৰ ভৰ এতিয়াৰ্তকে দহ গুণ কম আৰু সাৰ্ব্বজনীন মাধ্যাকৰ্ষণ ধ্ৰুৱকৰ মান দহ গুণ বেছি হোৱাহেতেন তলৰ কোনটো উক্তি শুদ্ধ ***নহয়*** ?

(1) বৰষুণৰ টোপালবোৰ বেছি বেগত তললৈ সৰি পৰিব ।

(2) ভূপৃষ্ঠত খোজ কঢ়া বেছি কঠিন হ'লহেতেন ।

(3) পৃথিৱীত সৰল দোলক এটাৰ পৰ্য্যায়কাল কম হ'লহেতেন ।

(4) ভূপৃষ্ঠত 'g' ৰ মানৰ সলনি নহয় ।


ZOLLEGE

**174.** At what temperature will the rms speed of oxygen molecules become just sufficient for escaping from the Earth's atmosphere ?

(Given :

Mass of oxygen molecule (m) = $2{\cdot}76 \times 10^{-26}$ kg

Boltzmann's constant $k_B = 1{\cdot}38 \times 10^{-23}$ J $K^{-1}$)

(1) $2{\cdot}508 \times 10^4$ K

(2) $8{\cdot}360 \times 10^4$ K

(3) $5{\cdot}016 \times 10^4$ K

(4) $1{\cdot}254 \times 10^4$ K

**175.** The volume (V) of a monatomic gas varies with its temperature (T), as shown in the graph. The ratio of work done by the gas, to the heat absorbed by it, when it undergoes a change from state A to state B, is




(1) $\frac{2}{5}$

(2) $\frac{2}{3}$

(3) $\frac{1}{3}$

(4) $\frac{2}{7}$

**176.** The fundamental frequency in an open organ pipe is equal to the third harmonic of a closed organ pipe. If the length of the closed organ pipe is 20 cm, the length of the open organ pipe is

(1) 13·2 cm

(2) 8 cm

(3) 12·5 cm

(4) 16 cm

**177.** The efficiency of an ideal heat engine working between the freezing point and boiling point of water, is

(1) 26·8%

(2) 20%

(3) 6·25%

(4) 12·5%

**174.** কি উষ্ণতাত অক্সিজেন অণুৰ গড় বৰ্গৰ বৰ্গমূলৰ (rms) দ্ৰুতিৰ বাবে পৃথিবীৰ বায়ুমণ্ডল পৰা অক্সিজেন অণু পলায়ন কৰিবলৈ সক্ষম হ'ব ?

(প্ৰদও যে :

অক্সিজেন গেছৰ অণুৰ ভৰ (m) = $2{\cdot}76 \times 10^{-26}$ kg

ব'ল্টজমন্‌ৰ ধ্ৰুৱক $k_B = 1{\cdot}38 \times 10^{-23}$ J $K^{-1}$)

(1) $2{\cdot}508 \times 10^4$ K

(2) $8{\cdot}360 \times 10^4$ K

(3) $5{\cdot}016 \times 10^4$ K

(4) $1{\cdot}254 \times 10^4$ K

**175.** গ্ৰাফত দেখুওৱাৰ দৰে এক পাৰমানবিক গেছ এটাৰ আয়তন (V), উষ্ণতা (T) ৰ লগত পৰিবৰ্তন হৈ আছে । গেছটোৱে A অৱস্থাৰ পৰা B অৱস্থালৈ পৰিবৰ্তন হওতে গেছটোৱে সম্পন্ন কৰা কাৰ্য্য আৰু তাপ শোষণৰ পৰিমানৰ অনুপাত হ'ব




(1) $\frac{2}{5}$

(2) $\frac{2}{3}$

(3) $\frac{1}{3}$

(4) $\frac{2}{7}$

**176.** এটা খোলা অৰ্গেন পাইপৰ মৌলিক কম্পনাংক (fundamental frequency) এটা একমূখবন্ধ অৰ্গেন পাইপৰ তৃতীয় সমঞ্জস স্বৰৰ (third harmonic) লগত একে । যদি একমুখবন্ধ অৰ্গেন পাইপ ডালৰ দৈৰ্ঘ্য 20 cm হয়, তেন্তে খোলা অৰ্গেন পাইপ ডালৰ দৈৰ্ঘ্য হ'ব

(1) 13·2 cm

(2) 8 cm

(3) 12·5 cm

(4) 16 cm

**177.** পানীৰ হিমাংক (freezing point) আৰু উতলাংকৰ (boiling point) মাজত কাৰ্য্যক্ষম হৈ থকা এটা আদৰ্শ তাপ ইঞ্জিনৰ দক্ষতা হ'ব

(1) 26·8%

(2) 20%

(3) 6·25%

(4) 12·5%



SPACE FOR ROUGH WORK

Z⊘LLEGE

**178.** A carbon resistor of (47 ± 4·7) kΩ is to be marked with rings of different colours for its identification. The colour code sequence will be

(1) Violet – Yellow – Orange – Silver

(2) Yellow – Violet – Orange – Silver

(3) Yellow – Green – Violet – Gold

(4) Green – Orange – Violet – Gold

**179.** A set of ‘n’ equal resistors, of value ‘R’ each, are connected in series to a battery of emf ‘E’ and internal resistance ‘R’. The current drawn is I. Now, the ‘n’ resistors are connected in parallel to the same battery. Then the current drawn from battery becomes 10 I. The value of ‘n’ is

(1) 10

(2) 11

(3) 20

(4) 9

**180.** A battery consists of a variable number ‘n’ of identical cells (having internal resistance ‘r’ each) which are connected in series. The terminals of the battery are short-circuited and the current I is measured. Which of the graphs shows the correct relationship between I and n ?

(1) 


(2) 


(3) 


(4) 


**178.** (47 ± 4·7) kΩ ৰ এটা কাৰ্বন ৰোধকক চিনাক্ত কৰিবলৈ বেলেগ বেলেগ ৰঙৰ অঙুঠিৰে দাগ দিয়া হয় । ৰঙৰ সংকেতৰ অনুক্ৰম হ’ব

(1) বেঙুনীয়া – হালধীয়া – কমলা – ৰূপালী

(2) হালধীয়া – বেঙুনীয়া – কমলা – ৰূপালী

(3) হালধীয়া – সেউজীয়া – বেঙুনীয়া – সোনালী

(4) সেউজীয়া – হালধীয়া – বেঙুনীয়া – সোনালী

**179.** প্ৰত্যেকৰে ‘R’ ৰোধযুক্ত ‘n’ টা ৰোধৰ শ্ৰেণীবদ্ধ সজ্জা এটা ‘E’ ই.এম.এফ. আৰু ‘R’ আন্তঃৰোধৰ বেটাৰীৰ লগত সংযোগ কৰা হ’ল । এই ক্ষেত্ৰত বিদ্যুৎ প্ৰৱাহ I হয় । এতিয়া ‘n’ ৰোধক কেইটা সমান্তৰাল সজ্জা কৰি একেটা বেটাৰীৰ লগত সংযোগ কৰা হ’ল । এইক্ষেত্ৰত বেটাৰীৰ পৰা বিদ্যুত প্ৰৱাহ 10 I হয়গৈ । ‘n’ ৰ মান হ’ব

(1) 10

(2) 11

(3) 20

(4) 9

**180.** এটা বেটাৰীত ‘n’ কলক সংখ্যক (প্ৰত্যেকৰে ‘r’ আন্তঃ ৰোধযুক্ত) অনুৰূপ বিদ্যুৎ কোষ শ্ৰেণীবদ্ধতাৰে সংযোগ কৰা আছে । বেটাৰীটোৰ টাৰ্মিনেল দুটা ছট্ চাৰ্কিত (short-circuited) কৰা হ’ল আৰু বিদ্যুৎপ্ৰৱাহ I জোখা হ’ল । তলৰ কোনটো গ্ৰাফে I আৰু n ৰ মাজৰ সম্পৰ্ক শুদ্ধকৈ বুজাব ?

(1) 


(2) 


(3) 


(4) 


 SPACE FOR ROUGH WORK

# SPACE FOR ROUGH WORK



ZOLLEGE

# SPACE FOR ROUGH WORK



ZOLLEGE

***Read carefully the following instructions :***

1. Each candidate must show on demand his/her Admit Card to the Invigilator.
2. No candidate, without special permission of the Superintendent or Invigilator, would leave his/her seat.
3. The candidates should not leave the Examination Hall without handing over their Answer Sheet to the Invigilator on duty and sign the Attendance Sheet twice. **Cases where a candidate has not signed the Attendance Sheet second time will be deemed not to have handed over the Answer Sheet and dealt with as an unfair means case.**
4. Use of Electronic/Manual Calculator is prohibited.
5. The candidates are governed by all Rules and Regulations of the examination with regard to their conduct in the Examination Hall. All cases of unfair means will be dealt with as per Rules and Regulations of this examination.
6. No part of the Test Booklet and Answer Sheet shall be detached under any circumstances.
7. The candidates will write the Correct Test Booklet Code as given in the Test Booklet/Answer Sheet in the Attendance Sheet.

***নিম্নলিখিত নিৰ্দেশ সমূহ ভালদৰে পঢ় :***

1. নিৰীক্ষকে সুধিলে, প্ৰত্যেক পৰীক্ষাৰ্থীয়ে নিজৰ প্ৰবেশ পত্ৰ দেখুওৱা লাগিব ।
2. অধীক্ষক বা নিৰীক্ষকৰ বিশেষ অনুমতি ন'হ'লে, কোনো পৰীক্ষাৰ্থীয়েই নিজৰ আসন এৰি যাব নোৱাৰে ।
3. কাৰ্য্যৰত নিৰীক্ষকৰ হাতত উত্তৰ কাকত জমা নিদিয়াকৈ আৰু উপস্থিতি পত্ৰত দুবাৰ হস্তাক্ষৰ নকৰাকৈ পৰীক্ষাৰ্থীয়ে পৰীক্ষা হলৰ পৰা যাব নোৱাৰে । **যি পৰীক্ষাৰ্থীয়ে উপস্থিতি পত্ৰত দ্বিতীয় বাৰ হস্তাক্ষৰ নকৰে, তেওঁ উত্তৰ-কাকত জমা দিয়া নাই বুলি ধৰা হ'ব আৰু অসৎ উপায় অৱলম্বন কৰা বুলি ধৰা হ'ব ।**
4. ইলেক্ট্ৰনিক্ বা হস্তচালিত গণনাযন্ত্ৰ ব্যৱহাৰ কৰিবলৈ দিয়া ন'হব ।
5. সকলো পৰীক্ষাৰ্থীয়ে, পৰীক্ষা হলৰ ভিতৰত ব্যৱহাৰ কৰা নিয়ম আৰু বিনিময়ৰ দ্বাৰা নিয়ন্ত্ৰিত । সকলো অসৎ উপায় অৱলম্বন কৰা কাৰ্য্যক পৰীক্ষাৰ নিয়ম আৰু বিনিয়ম অনুসৰি গণ্য কৰা হ'ব ।
6. কোনো পৰিস্থিতিতে, পৰীক্ষা পুস্তিকা আৰু উত্তৰ কাকতৰ কোনো পৃষ্ঠা বা ভাগ আতঁৰাবলৈ দিয়া নহয় ।
7. পৰীক্ষাৰ্থীয়ে, পৰীক্ষা পুস্তিকা/উত্তৰ কাকতত দিয়া সংকেত শুদ্ধকৈ উপস্থিতি পত্ৰত লিখিব ।



ZOLLEGE